


Scanned with CamScanner

# বৈটুপাতৰ
## ভাৱাৰ্থ

শিক্ষাৰ আলোকেৰে জ্ঞান বুটলি দক্ষতাৰ মাঁতিৰে ভেটিকা অজাই আঁহা আমি প্ৰগতিৰ আকাশ লোহবাওঁ। যুৱক-যুৱতীসকলক উদ্বিৰলৈ আহ্বান কৰোঁ আহক। "দক্ষতাৰ শক্তি অসীম, যিয়ে বাধাৰ প্ৰাচীৰ ভেদি যুৱক-যুৱতীসকলৰ বাবে সীমাহীন সুযোগৰ সৃষ্টি কৰিব পাৰে।"

দক্ষতা যিহে সপোনক বাস্তৱৰ সৈতে সংযোগ কৰা সেতু। উত্তৰ প্ৰজন্মৰ হাতত তুলি দিওঁ এখন শক্তিশালী, সবল, সেউজীয়া ধৰণী। যাদিহে আজি যুৱক যুৱতীসকলক দক্ষতাৰে সবলীকৰণ কৰা হয় তেন্তে পৰৱৰ্তী সময়ত তেওঁলোকে এখন উন্নত ধৰণী গঢ়ি তুলিব।

যেতিয়া আমি আমাৰ যুৱক-যুৱতীসকলক দক্ষতাৰে সজ্জিত কৰোঁ, তেতিয়া আমি উদ্ভাৱন আৰু প্ৰগতিৰ বাবে এক নৱশক্তি মুকলি কৰি দিওঁ যি শক্তিয়ে সৃষ্টি আলোকিত কৰো।।।

Scanned with CamScanner



## প্ৰতিষ্ঠানৰ পৰিচায়ক

তুমি সৃষ্টি, তুমি কৃষ্টি
মানৱ গঢ়াৰ তুমি মহান শিল্পী
তোমাক জনাও প্ৰণিপাত
তুমি বাগৌ গোলাঘাট
তুমি সৃষ্টি, তুমি কৃষ্টি
মানৱ গঢ়াৰ তুমি মহান শিল্পী

চিৰকাল অন্তঃসত্ত্বা
উৰ্বৰা তোমাৰ গৰ্ভ
জ্ঞানদান আৰু উদ্ভাৱন
সংস্কাৰেই তোমাৰ লক্ষ্য
তোমাক জনাও প্ৰণিপাত
তুমি বাগৌ গোলাঘাট
তুমি সৃষ্টি, তুমি কৃষ্টি
মানৱ গঢ়াৰ তুমি মহান শিল্পী

Scanned with CamScanner

নতুন জনৰ, নতুন মনৰ
তুমিয়েই নতুন শক্তি
তুমি প্ৰাণময়ী, তুমি মোহময়ী
পুণ্যময়ী তুমি মাতৃ
তোমাক জনাও প্ৰণিপাত
তুমি আশৈ সোণামৌ
তুমি সৃষ্টি, তুমি কৃষ্টি
মানৱ গঢ়াৰ তুমি মহান শিল্পী

হিংসাদ্বেষ নহয় তোমাৰ কাম্য
মানৱ গঢ়াই তোমাৰ ধৰ্ম
হিয়াৰ ভকতিৰ অৰ্ঘ্য যাচিছোঁ
আশীষ দিয়া আই
আমি যাম সবে আগুৱাই
তুমি সৃষ্টি, তুমি কৃষ্টি
মানৱ গঢ়াৰ তুমি মহান শিল্পী
তোমাক সহস্ৰ প্ৰণাম
তোমাক সহস্ৰ প্ৰণাম
তোমাক সহস্ৰ প্ৰণাম ॥

কথা: মীনা শইকীয়া
প্ৰাক্তন প্ৰবক্তা

Scanned with CamScanner

# উৎসৰ্গা



যি সকল মহান ব্যক্তিৰ পূৰ্ণ সহযোগিতাৰ কষ্ট আৰু ত্যাগৰ অকুণ্ঠ প্ৰচেষ্টাত দেৰগ্ৰামৰ অন্যতম শৈক্ষিক অনুষ্ঠান ' জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান ' (গোলাঘাট , দেৰগাঁও) প্ৰতিষ্ঠা কৰি আজি পৰ্যন্ত জাকত জিলিকা কৰি থৈ গ'ল সেই বৰেণ্য ব্যক্তি সকললৈ গভীৰ শ্ৰদ্ধা আৰু সেৱাৰে ২০২৪ বৰ্ষ দ্বাদশ (১২) সংখ্যক কাঁচিয়লি অৰ্পন কৰিছোঁ।

Scanned with CamScanner

Dear Teacher trainee and Faculty of DIET

As I peruse our latest school magazine I am enveloped by a rush of emotions, deep gratitude, genuine admiration and profound aesthetics. This exquisite tapestry of words and images stands as a testament to the brilliance, dedication and collaborative spirit that define our community.

My heart brims with gratitude for the team of teacher trai who poured their intellect and passion into crafting this remarkable publication. Their stellar writing, artistic flair and editorial prowess shine on every page, showcasing the diverse interests and perspectives that enrich our teachers union.

This megazine transcends the ordinary becoming a potent embodiment of the institute spirit. It serves as a prestigious platform for students to share their voices, unveil their passion and inspire others.

I extend sincere thanks to the dedicate faculty advisors whose guidance and support were invaluable.

Congratulations to all involved. Your passion and dedication leave an indelible mark and I eagerly anticipate your future achievements



11-3-24

# সম্পাদনা সমিতি

উপদেষ্টা :- মৌচুমী বৰুৱা বৰদলৈ

সম্পাদক :- বাবুল দাস

সহকাৰী সম্পাদক ত্ৰয় :- ভাস্কৰ জ্যোতি বৰা, জেৱত গোস্ত, আয়েচা বেগম

আৰ্হি চাওঁতা :- প্ৰিচিত্ৰা শইকীয়া, ভাগ্যশ্ৰী শইকীয়া, হিমজিতা বৰা, নাচিমা বেগম, ভাস্কৰ জ্যোতি বৰা, জিৰিয়ানা গুৰানমাই

অলংকৰণ :- জয়া শইকীয়া, চেনী শইকীয়া, অংকিতা শইকীয়া, বিচিত্ৰা শইকীয়া, বালিন গগৈ, নিজা শইকীয়া, বৃনাটি বৰা, গাৰ্গী শইকীয়া, ভাগ্যশ্ৰী শইকীয়া, নাচিমা বেগম, বিপ্লৱ শইকীয়া, আয়েচা বেগম, জিৰিয়ানা গুৰানমাই

অক্ষৰ বিন্যাস: বিষ্ণুপ্ৰসাদ দাস, নিকিতা বৰা, চেনী শইকীয়া, নিজা শইকীয়া, কৃষ্ণাংগিনী কাশ্যপ, জিৰিয়ানা গুৰানমাই, গাৰ্গী শইকীয়া, বিস্মিতা শাণ্ডিল্য, ৰূপালী শইকীয়া, আশামণি লহৰং

Scanned with CamScanner

বেটুপাত অংকণ :- জয়া শইকীয়া
ঋচিতা শইকীয়া

কোষাধ্যক্ষ :- মনোজ ৰাজখোৱা

সদস্য/সদস্যা :- মনোজ বৰা, বিদ্যুৎ গগৈ, বৰ্ণালী গগৈ, মৃগাক্ষী শইকীয়া, লয়শ্ৰী বৰা, অৰুণজ্যোতি দলে, বৰ্ষা ৰাজখোৱা, ৰক্ষা ৰাণী বৰা, দীপশিখা দত্ত, বৰ্ষা শইকীয়া, নিৰা লহং, জোনাকী পেগু, পবিত্ৰী শইকীয়া, নিহাৰিকা দত্ত, বিষ্ণু শইকীয়া, লক্ষণ দাস, কৰম সিং ওৰাং, বিজিত কুমাৰ দলে, দুলেশ্বৰ লহং, বিশাল কান্তুৰ বৰা, জিন্টু শইকীয়া, শিখামণি বৰা, মনিষা কাকতি

# সম্পাদকৰ কাপ মেলোমেৰে

"যৌৱন যৌৱন
সৃষ্টিৰ যৌৱন
অনাগত জীৱনৰ অনাহুত গান".

সাহিত্য হ'ল এটা জাতিৰ দাপোণ। প্ৰত্যেক জাতিৰে নিজস্ব ভাষা সাহিত্য-সংস্কৃতি আছে। সেই ভাষা সাহিত্য সংস্কৃতিৰ জৰিয়তেই এটা জাতি উদ্ভাসিত হৈ উঠে। সাহিত্যৰ মাজতে এটা জাতিৰ স্বকীয়তা বিচাৰি পোৱা যায়। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানত মাহেকীয়া আলোচনী, হাতেলিখা আলোচনী, প্ৰাচীৰ পত্ৰিকাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, সামাজিক, সাংস্কৃতিক, বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে অৰিহণা যোগায়। মৌলিক চিন্তা চেতনাই চন বান্ধি উঠে। লগতে সম্ভাৱনাবোৰৰ বাবে এখন মঞ্চ পোৱা যায়। এনে আলোচনীয়ে সমাজলৈ গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰে। ঐতিহ্যমণ্ডিত গোলাঘাট জিলাৰ দেৰগাঁও স্থিত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে ৰূপালী জয়ন্তী

বৰ্ষত ভৰিত দিয়াৰ শুভক্ষণত ২০২৩-২০২৫ বৰ্ষৰ প্ৰথম ষাণ্মাসিকৰ
শিক্ষক প্ৰশিক্ষাৰ্থী সকলৰ সমন্বয়ৰ প্ৰচেষ্টাত হাতেলিখা আলোচনী
“কাচিয়লী” দ্বাদশ (১২) সংখ্যক ন-সাজেৰে সজাই পৰাই তোলা হৈছে।
আজিৰ চচিয়েল মিডিয়াত বহুলভাৱে উঠি অহা প্ৰজন্ম আমাই
পৰাৰ মলত কিতাপ আলোচনীৰ কেঁচা পাতৰ সুবাসিত শব্দৰ সুগন্ধিৰ
অনুধাৱন কৰিবলৈ সময়ৰ অভাৱ। ডিজিটেল পৃথিৱীখনৰ যোগে
সংযুক্ত কৰি কৰবাত নহয় কৰবাত মৌলিক চিন্তা চৰ্চাৰ কৰব দিবলৈ
উঠি পৰি লাগিছো। সময়ৰ কালবলুকাত পশ্চিমীয়া চাল এটাই
দিপাৰ মাটিৰ গোন্ধ হেৰুৱাৰ সন্ধিক্ষণত মুহূৰ্তৰ বাবে হ'লেও
ভাবুক কৰি তুলিছে। অত্যাধিক সুযোগ সুবিধা আৰু ভোগবাদী
চিন্তাই আমাৰ উঠি অহা প্ৰজন্মক ক্ষতিগ্ৰস্ত কৰিছে। ভবিষ্যতৰ প্ৰতি
নিজৰ কৃষ্টি সংস্কৃতিৰ প্ৰতি ভিতৰৰ পৰাই যদি অনুভৱ নোহোৱাবিলে
আমাৰ জাতীয় অভিমান, স্বকীয় পৰিচয় নিঃশেষ হ'বলৈ কেইপলৰ
লাগিব। অধিক উৎসৱ পাৰ্বণ, মাদক দ্ৰব্যৰ দৰে তথ্য যুক্ত যন্ত্ৰৰ
ব্যৱহাৰই শৈক্ষিক, সামাজিক, সাংস্কৃতিক, বৌদ্ধিক, অৰ্থনৈতিক ক্ষেত্ৰখনৰ
লগতে মুল্যবোধত আউল লগাবলৈ ধৰিছে। এনে জটিল তথা সংকীৰ্ণ
সময়ত দেশ জাতি মাটি তথা সৰ্ব মানৱৰ মংগলৰ হকে হাতে
কামে, সৃজনীমূলক জাগৰণৰ সুৰেৰে প্ৰয়োজন আহি পৰিছে।

পৰিশেষত এই হাতে লিখা আলোচনী “কাঁচিয়লী” খন
D.El.Ed প্ৰথম ষাণ্মাসিকৰ কৰ্ম আৰু শিক্ষা পেপাৰখনৰ
ব্যৱহাৰিক (practical) কাৰ্যৰ লগত সংগতি ৰাখি শ্ৰদ্ধাৰ
মৌচুমী বৰুৱা বাইদেউ, বঢ়ি দেউৰ নিৰ্দেশ মৰ্মে প্ৰস্তুত
কৰি উলিওৱা হৈছে, এই লগতে শ্ৰদ্ধাৰ বাইদেউলৈ
আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু লগতে ভাৰপ্ৰাপ্ত
অধ্যক্ষ মহোদয়ক ধন্যবাদ জনালোঁ।

এই আলোচনীখনৰ বাবে লিখনী সমূহ
দিলে, দিন ৰাতি একাকাৰ কৰি বিভিন্ন দিশত সহযোগিতা
দিয়া পৰামৰ্শ, সাহস, উৎসাহ যোগাই এখন পূৰ্ণাংগ
আলোচনীৰ ৰূপ দিয়াত ক্ষেত্ৰত যি সকলে

যাঁৰ দ্বাৰা মোক সংগ দিলে তেওঁলোকলৈ সদায়ৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিশেষভাৱে সহপাঠী শিক্ষক প্ৰশিক্ষাৰ্থী জয়া শইকীয়া, ধনিন গগৈ, ভাস্কৰ জ্যোতি বৰা, নিজৰা শইকীয়া, দেৱী শইকীয়া, গাৰ্গী শইকীয়া, অংকিতা শইকীয়া, মনোজ হাজৰীকা, প্ৰিয়ংকা শইকীয়া, নাছিমা বেগম, বিষ্ণুপ্ৰসাদ দাস, ভৰত পেগু, বৰ্ণালী গগৈ, জিন্টু শইকীয়া, ৰুবিনা সুল্তানা, আয়েচা বেগম, ধুনটি বৰা, ভাগ্যশ্ৰী শইকীয়া, চিন্মী দত্ত, বিশ্বজিত শাণ্ডিল্য, দীপশিখা দত্ত, কৃষ্ণাংগিনী বাগ্যপ, বিদ্যুত গগৈ, উপাসনা ফুকন, মনোজ বৰা, আশামনি শইং, বিপ্লৱ শইকীয়াক আন্তৰিকভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সেইদৰে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান গোলাঘাট, দেৰগাঁৱৰ দীৰ্ঘায়ু কামনা কৰিছোঁ। ধাঁচিখালি হৈ থাকক স্মৃতিৰ পখাখেৰে বিস্তীৰ্ণ সেউজীয়াৰ মাজত সমুজ্জ্বলকৈ আজীৱন....

ইতি মৰমেৰে
বাবুল দাস
সম্পাদক

# সূচীপত্ৰ

## প্ৰবন্ধৰ আৱলী


* যুৱ সৱলীকৰণৰ দিশত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা → দেৱী শইকীয়া
* Whispers of Wonders: Tiny Titans and the Dwaring of nano technology → Bhaskar jyoti Borah
* যুৱ সমৃদ্ধি: ৰাষ্ট্ৰ নিৰ্মাণৰ মুকুট: → বিষ্ণুপ্ৰসাদ দাস
* The Power of 'She' → Christina Guanmei
* ব্ৰেইন ড্ৰেইন → বিষ্ণু শইকীয়া
* Beyond Horizon: Forging Path in the Space Exploration → Bornali Gogoi
* যুৱ-প্ৰজন্মৰ মাজত ছ'চিয়েল মিডিয়াৰ ইতিবাচক প্ৰভাৱ → নয়নশ্ৰী বৰা ।
* Shaping Tomorrow's Leader: Vital Role of NGO in yoth Empowerment → Nikita Borah
* যুৱ-সৱলীকৰণ কিয় গুৰুত্বপূৰ্ণ → ৰেৱতী মেধি
* Sowing Solutions: Regenerative Agriculture for a thriving Ecosystem → Nasima Begum
* যুৱ-শক্তি আৰু সৱলীকৰণ → মন্দ্ৰিতা বৰা
* ড্ৰাগছ আৰু যুৱ প্ৰজন্ম → বৰষা মুদৈ
* যুৱ-শক্তি আৰু যুৱ-মানসিকতা → বৰষাৰাণী বৰা
* শিক্ষা আৰু যুৱ শক্তি → দীপশিখা হও

* শিক্ষা আৰু সুৰ সৰলীকৰণ -> বিদ্যুৎ গগৈ
* সূৰ্যমুখী প্ৰতিভা পদ্মশ্ৰী সুধা মূৰ্তি -> আয়েশ্বা কোম
* সুৰ-সৰলীকৰণ আঁচনিৰ প্ৰয়োজনীয়তা -> আশামণি লইং
* সুৰ-সৰলীকৰণত যোগৰ ভূমিকা - শিখামণি বৰা
* আধ্যাত্মিক বিকাশৰ জৰিয়তে সুৰ-সৰলীকৰণ ধৰিত্ৰী শইকীয়া
* সুৰ-সৰলীকৰণ আৰু চৰকাৰী আঁচনি সমূহ -> বিপ্লিতা শাণ্ডিল্য
* সুৰ-সৰলীকৰণৰ বাবে লʼবলগীয়া পদক্ষেপ -> দুনটি বৰা

## কবিতা কুঞ্জ

* ফাগুন তুমি মোৰ প্ৰিয়তম -> বন্দিতা লইং
* যাত্ৰা -> নিহা লইং
* ফাগুন -> জোনালী বৰি
* আলি-আই-লৃগাং -> বিজিত কুমাৰ দলে
* চঞ্চলা ফাগুন -> কৰম সিংওৱাং
* অভিশপ্ত -> গাৰ্গী শইকীয়া
* ফাগুনৰ ৰং -> কৃষ্ণাংগিনী কাশ্যপ .
* মনৰ ৰঙীন বেদনা -> ভাগ্যশ্ৰী শইকীয়া .
* অʼ মোৰ নতুন পুৰুষ -> মনিষা কাকতি
* youth Odyssey -> Bhaskare Jyoti Borah

## গল্প কানন

* সৰলীকৰণৰ বাবে চাকৰিয়েই মূল উদ্দেশ্য নহয় -> সংকিতা শইকীয়া
* কৰ্ম -> আশামণি লইং
* আশাই মানুহক নতুনকৈ জীয়াই তোলে ->লিজা শইকীয়া

* The Girl Who Spoke in Starelight

→ Bhaskare Jyoti Borch

* অস্লোনৰ শেষত → বিপ্লৱ শইকীয়া
* চাকনৈয়া → বিচিত্ৰা শইকীয়া।

## নীলা খামৰ চিঠি

* ① জয়া শইকীয়া
  ② হিমাদ্ৰীতা বৰা
  ③ ভাস্কৰ জ্যোতি বৰা

## সাক্ষাৎকাৰ

* ঐক জেউজ অন্তৰায়নাৰ পাম সোঁহি → যালিন গগৈ
  ( বিশিষ্ট সোভিয়েক ধনীৰাম চেতিয়াৰ লগত এক সাক্ষাৎকাৰ)



# যুৱসৱলীকৰণৰ দিশত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা



এই পৃথিৱীত বসবাস কৰা প্ৰতিজন ব্যক্তিৰ বাবে শিক্ষা অতি দৰকাৰী। এখন দেশ বা এখন সমাজ আৰু এটা পৰিয়াল আগুৱাই যোৱাত শিক্ষাৰ ভূমিকা লেখতলবলগীয়া। শিক্ষাই মানুহৰ মনৰ অন্ধকাৰতা বা অজ্ঞতাখিনি দূৰ কৰি বৌদ্ধিক দিশ সুকলি কৰে। সেয়েহে প্ৰতিজন মানুহৰ শিক্ষা গ্ৰহণৰ প্ৰয়োজনীয়তা আছে। আজিৰ যুগত পুৰুষৰ সমানে সমানে নাৰীয়েও সম অধিকাৰ লাভ কৰিবলৈ সক্ষম হৈছে। নাৰী শিক্ষাৰ সন্দৰ্ভত পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছে, "এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে এটা পৰিয়ালক শিক্ষিত কৰি তোলা।" সেয়েহে পুৰুষৰ সমানে সমানে নাৰী শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া উচিত।

বৰ্তমান সময়ত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা অনেক। শিক্ষাৰ দ্বাৰা মানুহৰ শাৰীৰিক আৰু মানসিক বিকাশ হয়। সেয়ে মানৱ জাতি হিচাপে নাৰীৰো শিক্ষাৰ প্ৰয়োজনীয়তা আছে। এগৰাকী শিক্ষিত নাৰীয়ে সমাজত চলি থকা অন্ধবিশ্বাস, কু-সংস্কাৰ আদি নাইকিয়া কৰাত সহায় কৰিব পাৰে। মানুহ হিচাপে মানুহৰ ইতিবাচক গুণৰ উপৰিও নেতিবাচক গুণ যেনে — হিংসা, লোভ, স্বাৰ্থপৰতা আদি গুণ থকাটো স্বাভাৱিক। কিন্তু ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ শিক্ষাৰ প্ৰয়োজন। এগৰাকী সন্তানক সুশিক্ষাৰে শিক্ষিত কৰিবলৈ পুৰুষৰ সমানে নাৰীৰো শিক্ষা থকা উচিত। সেয়েহে এগৰাকী মাতৃ হিচাপে নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা দেখা যায়। বৰ্তমানৰ যুগটো বিজ্ঞানৰ যুগ, গতিকে আজিৰ যুগটোত খোজে খোজ

মিলাই যাবলৈ হ'লে এগৰাকী নাৰী শিক্ষিত হোৱা প্ৰয়োজনীয়। নিজ অধিকাৰ, দায়িত্ব, কৰ্তব্য সম্পৰ্কে জ্ঞান থকাৰ প্ৰয়োজন। সকলো ফালৰ পৰা চাবলৈ গ'লে নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা আছে।

যুৱ সৱলীকৰণৰ দিশত কেৱল মাত্ৰ ল'ৰা বা যুৱকসকলে যে শিক্ষা গ্ৰহণ কৰি দেশৰ, সমাজৰ উন্নয়ন কাৰ্যত আগুৱাই যাব তেনে কথা নহয়। ছোৱালী বা নাৰীসকলেও উন্নত শিক্ষা গ্ৰহণ কৰি সৱলীকৰণৰ দিশত সমানে আগুৱাই যাব পাৰিব।

প্ৰাচীন বৈদিক যুগতো নাৰী শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। ইয়াৰ প্ৰমাণস্বৰূপে পাওঁ যে— বৈদিক যুগত পূজা-পাতলত পুৰুষৰ লগতে নাৰীৰ অংশ গ্ৰহণ, গাৰ্গী মৈত্ৰেয়ী নামৰ নাৰীগৰাকীৰ শ্লোক ৰচনা। ভাৰতৰ সংবিধানেও নাৰী পুৰুষক সমান অধিকাৰ দিছে আৰু উভয়ৰে বাবে শিক্ষা বাধ্যতামূলক কৰিছে।

অৱশেষত ক'ব পাৰি যে পুৰুষৰ সমানে নাৰীৰো শিক্ষা হ'লে এখন সমাজ সুচাৰুৰূপে পৰিচালিত হ'ব, সমাজৰ অজ্ঞানতা আঁতৰ হ'ব। মানুহৰ মৌলিক অধিকাৰৰ ভিতৰত শিক্ষা আহৰণ অন্যতম। বৰ্তমান সময়ত লক্ষ্য কৰিলে দেখা যায় যে এগৰাকী নাৰী শিক্ষিত হোৱাটো অতি কৈ প্ৰয়োজন। এগৰাকী নাৰীক মানসিকভাৱে, আৰ্থিকভাৱে সবল কৰি তুলিবলৈ প্ৰয়োজনীয় শিক্ষা দিয়া উচিত। চৰকাৰ, পিতৃ মাতৃ আৰু পৰিয়ালে এগৰাকী নাৰীক প্ৰয়োজনীয় শিক্ষাৰে শিক্ষিত কৰা তেওঁলোকৰ কৰ্তব্য।

— দেৱী শইকীয়া
প্ৰথম ষাণ্মাসিক

# Whispers of Wonders: Tiny Titans and the Dawning of nano-technology

Bhaskar Jyoti Borah

Imagine microscopic robots cleaning polluted oceans and medicine targeting diseased cells. This isn't science fiction, but the exciting realm of nanotechnology. A field with the potential to revolutionize countless aspects of life. However the most remarkable aspect is the crucial role young minds play in fuelling this revolution.

Nano technology delves into manipulating matter at the atomic level, unlocking the immense possibilities of the miniscule. It offers young individuals the opportunity to be at the forefront of breakthroughs in diverse fields like environmental sustainability and healthcare.

Young minds are already tackling pressing challenges with nano technology. Imagine microscopic "nanobots" cleaning up oil spills or dismantling pollutants in water. This captivating possibility is being explored by young researchers, showcasing the transformative power of nanotechnology for cleaner future.

The future of medicine could see nanoparticles delivering targeted medication directly to diseased cells, minimising side effects and maximising treatment effectiveness. Young minds are actively exploring this field, paving the way for advancements that could significantly improve patient lives.

Nanotechnologys needs curious minds brimming with creativity and a desire to make a difference. By encouraging young people to explore this field, we open doors to a universe of possibilities. We empower them to become the architects of tomorrow.

Numerous resources, workshops and even youth led techonology initiatives are flourishing, providing a supportive environment for young minds to explore, innovate and leave their mark on the world. By providing them with the necessary tools and unwavering support, we can empower them to become the "Tiny Titans" who will revolutionize the future with nanotechnology.

Scanned with CamScanner

# যুৱ সমৃদ্ধি: ৰাষ্ট্ৰ নিৰ্মাণৰ মুকুট

যুৱ প্ৰজন্ম, যাক এখন ৰাষ্ট্ৰৰ মেৰুদণ্ড হিচাপে গণ্য কৰা হয়। প্ৰগতি আৰু বিকাশৰ ক্ষেত্ৰত তেওঁলোকে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁলোকৰ শক্তি, উৎসাহ আৰু উদ্ভাৱনীমূলক মনোভাৱে এখন ৰাষ্ট্ৰৰ বিকাশ আৰু সমৃদ্ধিত গুৰুত্বপূৰ্ণ অৰিহণা যোগায়। ৰাষ্ট্ৰ উন্নয়নৰ যাত্ৰাত যুৱসকলৰ সংযোগ আৰু প্ৰতিশ্ৰুতি সৰ্বকাম্য।

ৰাষ্ট্ৰ উন্নয়নত যুৱসকলৰ এটা প্ৰাথমিক ভূমিকা হৈছে শৈক্ষিক ক্ষেত্ৰত তেওঁলোকৰ সহযোগিতা। শিক্ষাই এখন উন্নত ৰাষ্ট্ৰ নিৰ্মাণ কৰাৰ ভেটি হিচাপে কাম কৰে। শিক্ষা ক্ষেত্ৰত যুৱপ্ৰজন্মৰ অন্তৰ্ভুক্তি, শিক্ষাৰ্থী আৰু শৈক্ষিক সংস্থাৰ অধিবক্তা হিচাপে দেশৰ বৌদ্ধিক মূলধনৰ নিৰন্তৰ উন্নতি নিশ্চিত কৰে। শিকাৰ সুযোগ গ্ৰহণ কৰি আৰু শৈক্ষিক পদক্ষেপৰ প্ৰচাৰ কৰি যুৱসকলে এক জ্ঞানী আৰু দক্ষ সমাজৰ বিকাশত পোনপটীয়াকৈ অৰিহণা যোগায়। যুৱপ্ৰজন্ম এক প্ৰাকৃতিক উদ্ভাৱক আৰু বিপদাশংকা গ্ৰহণকাৰী। উদ্যোগ আৰু উদ্ভাৱনৰ প্ৰতি তেওঁলোকৰ প্ৰৱণতাই অৰ্থনৈতিক বিকাশত প্ৰেৰণা যোগাব পাৰে। সামাজিক দায়বদ্ধতা আৰু অমুবান্ত সক্ৰিয়তাত যুৱপ্ৰজন্মই এক ন্যায়সংগত সমাজ গঢ়াত সহায় কৰে।

দ্ৰুত প্ৰযুক্তিগত বিৱৰ্তনৰ যুগত প্ৰযুক্তিগত উন্নতিক আকৰ্ষণ আৰু চালিত কৰাৰ ক্ষেত্ৰত যুৱপ্ৰজন্ম শীৰ্ষস্থানত আছে। ডিজিটেল মাধ্যম, কোডিং ভাষা আৰু উদীয়মান প্ৰযুক্তিগত স্থিতিৰ সৈতে তেওঁলোকৰ পৰিচয়ে এক উন্নত ভৱিষ্যতৰ দিশত দেশৰ যাত্ৰাত মূল্যৱান সম্পদ হিচাপে স্থান দিয়ে। বিজ্ঞান, প্ৰযুক্তি, অভিযান্ত্ৰিক আৰু গণিত ক্ষেত্ৰত জড়িত যুৱক-যুৱতীসকলৰ অন্তৰ্ভুক্তি বিশ্বৰ দৃশ্যপটত প্ৰতিযোগিতামূলক হৈ থকাৰ বাবে গুৰুত্বপূৰ্ণ।

উদ্ভাৱনক উৎসাহিত কৰাৰ সময়ত সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰাটো হৈছে ৰাষ্ট্ৰ উন্নয়নত যুৱসমাজৰ ভূমিকাৰ আন এটা দিশ। যুৱসমাজে পৰম্পৰা ৰক্ষক হিচাপে কাম কৰিব পাৰে, যাতে সময়ৰ সৈতে সাংস্কৃতিক সমৃদ্ধি হেৰাই নাযায়। একে সময়তে তেওঁলোকে নতুন দৃষ্টিভংগী আৰু আধুনিক বাৰ্তা আনিছে যিয়ে সংস্কৃতিবোৰক জীৱন্ত আৰু প্ৰাসংগিক কৰি ৰাখে। সংৰক্ষণ আৰু উদ্ভাৱনৰ মাজৰ এই ভাৰসাম্যতাই এখন ৰাষ্ট্ৰৰ সাংস্কৃতিক পৰিচয়ত অৰিহণা যোগায়।

যুৱপ্ৰজন্মই তেওঁলোকৰ বিশ্বব্যাপী উন্মুক্ততা আৰু আন্তঃসংযোগৰ সৈতে এখন ৰাষ্ট্ৰৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক গঢ়ি তোলাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। গোলকীয় বিষয়বোৰৰ বিষয়ে তেওঁলোকৰ বুজাবুজি, সাংস্কৃতিক যোগাযোগৰ দক্ষতা অতিক্ৰম কৰা আৰু বিভিন্ন দৃষ্টিভংগীৰ প্ৰতি মুক্ততাই কাৰ্যকৰী কূটনীতিত অৰিহণা যোগায়। যুৱসকলক আন্তৰ্জাতিক সংলাপ আৰু বিনিময় কাৰ্যসূচীত জড়িত কৰাটোৱে বিশ্বৰ মঞ্চত ৰাষ্ট্ৰৰ এক স্পষ্ট প্ৰতিচ্ছবি সৃষ্টি কৰাত সহায় কৰে।

শেষত ৰাষ্ট্ৰ উন্নয়নত যুৱসকলৰ ভূমিকা বহুমুখী। এক স্থিতিস্থাপক প্ৰগতিশীল আৰু সামগ্ৰিক ৰাষ্ট্ৰ গঢ়ি তোলাৰ বাবে যুৱসকলৰ সম্ভাৱনাক স্বীকৃতি দিয়া আৰু জড়িত কৰাটো অত্যাৱশ্যকীয়। ভৱিষ্যতৰ যুৱপ্ৰজন্ম উন্নয়নৰ হিতাধিকাৰীয়েই নহয়, তেওঁলোক হৈছে দেশৰ ভাগ্য সক্ৰিয়ভাৱে গঢ় দিয়া স্থাপত্যবিদ।

— বিষ্ণু প্ৰসাদ দাস
প্ৰথম ষান্মাসিক

Scanned with CamScanner

# The Power of "She"

The landscape of young women's empowerment is continously evolving, shaped by unique challenges and opportunities of the current scenerio. This article delves into the critical role young women play in navigating these challenges and explores ways to further empower to become thriving leaders and catalyst for positive change.

Young women today face a world characterized by rapid technological advancements, The rise of the creator economy and an evolving global landscape. They navigate these changes with resilience and resourcefulness, harnessing technology to correct, share their voices, and advocate for issues they care about.

While progress has been made, young women still grapple with persistent gender inequalities in education, employment and leaderships position. They are no longer a passive bystanders. They are building awareness through social media movements, using their platforms to challenge stereotypes and advocate for policy changes that promote gender equality.

Young women are increasingly pursuing careers in science, Technology, engineering and Mathematics field. Breaking down traditional barriers and inspiring future generations.

Recognizing the importance of mental health, young women are promoting open dialogues about mental well-being and advocating for accessible mental health resources. This focus on self-care empowers them to navigate the complex world they inhibit and approach their goals with resilliences and a sense of purpose.

Investing in girls education is crucial for empowering future generations of women. Additionally fostering mentorship programs and creating safe-spaces for young women to correct, share, experiences and learn from each other are vital steps in supporting their growth.

The stories of women navigating the current scenerio are diverse

Scanned with CamScanner

and inspiring. By supporting their educational endeavours. Fostering healthy discussions around mental health and providing them with the tools and resources they need, we can empower them to become the strong, capable leaders the world need.

Together lets celebrate the achie- of young women amplify their voices and empower them to continue building a future where they can thrive and contribute meaningfully to a more equitable and just world.

Christina Cuanmei

## Great man quotes



If You Have No
Confidence in Self
You Aree Twice Defeated
in the Race of Life

→ Marecus Garevey

# ব্ৰেইন ড্ৰেইন

বিষ্ণু শইকীয়া
ৰোল নং : ১৪

বৰ্তমান সময়ত 'ব্ৰেইন ড্ৰেইন' এক গুৰুত্বপূৰ্ণ সমস্যা ৰূপে পৰিগণিত হৈছে। কিন্তু এই ব্ৰেইন ড্ৰেইন আচলতে হয় কি আৰু ভাৰতৰ প্ৰেক্ষাপটত ইয়াৰ প্ৰভাৱ কি তাক জনাটো খুবেই প্ৰয়োজনীয়।

এখন দেশৰ অৰ্থনৈতিক খণ্ড বা অন্যান্য ক্ষেত্ৰৰ পৰা শিক্ষিত আৰু পেছাদাৰী লোকসকলে সাধাৰণতে উন্নত দৰমহা বা জীৱন যাপনৰ বাবে বিদেশলৈ বা আন্তঃদেশীয় প্ৰব্ৰজনেই হ'ল ব্ৰেইন ড্ৰেইন। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এক তথ্য অনুসৰি ভাৰতৰ পৰা বছৰি প্ৰায় ২৫ লাখ মানুহে নানান সুবিধাৰ বাবে বিদেশলৈ প্ৰব্ৰজন কৰে। এই তথ্য অত্যন্ত উদ্বেগজনক তথা হতাশাজনক।

ভাৰতবৰ্ষৰ ব্যক্তিয়ে আমেৰিকাৰ বা পৃথিৱীৰ অন্যান্য আন্তৰ আন্তঃৰাষ্ট্ৰীয় কোম্পানীৰ CEO হৈছে। এই কথাবোৰ এফালৰ পৰা চাবলৈ গ'লে গৌৰৱৰ কথা যদিও আনফালৰ পৰা চাবলৈ গ'লেই এখন দেশৰ বাবে পৰিতাপৰ বিষয়। কাৰণ মানৱ সম্পদ ধৰি ৰাখিব নোৱাৰাটো দেশ এখনৰ বাবে অপূৰণীয় ক্ষতি। উদাহৰণ স্বৰূপে সঞ্জয় মেহৰোত্ৰা (CEO of Micron Technology), শান্তনু নাৰায়ণ (CEO of Adobe), সত্য নাডেলা (CEO of Microsoft), সুন্দৰ পিচাই (CEO of Alphabet & google), অৰবিন্দ কৃষ্ণা (CEO of IBM)। এনেদৰে নাম কৈ শেষ কৰিব নোৱাৰা ধৰণৰ উদাহৰণ আমাৰ ওচৰত আছে। প্ৰযুক্তিবিদ্যা আৰু অৰ্থনৈতিক খণ্ডৰ ঘাটি হিচাপে পৰিচিত আমেৰিকাৰ চিলিকন ভেলিৰ প্ৰায় ২৫% কোম্পানী ভাৰতীয় মূলৰ মানুহৰ দ্বাৰা পৰিচালিত যি আমেৰিকাৰ GDP ত

যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এক সমীক্ষা অনুযায়ী আমেৰিকাৰ গৱেষণা কেন্দ্ৰৰ বিজ্ঞানীসকলৰ ৩৮% ই ভাৰতীয়মূলৰ।

ভাৰতৰ নিচিনা এখন উন্নয়নশীল দেশৰ বাবে এই সমস্যাটোৰ মূল কাৰণ হৈছে আনুঃ গাঁথনিৰ অভাৱ। কাৰিকৰী ক্ষেত্ৰত বা অন্যান্য দিশত থকা কৰ্মচাৰীসকলে কাম অনুযায়ী বা গুণ অনুযায়ী মূল্য নাপাই আৰু প্ৰয়োজনীয় সা-সুবিধা নাপাই বিদেশলৈ ধাৱমান হয়। ভাৰতৰ শিক্ষাখণ্ড, স্বাস্থ্যখণ্ড, নিবনুৱা সমস্যা আদিয়েও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ভাৰতৰ ৰাজনৈতিক তথা সামাজিক ব্যৱস্থাপনাতোও ইয়াৰ বাবে জগৰীয়া। ২০২৩-২৪ চনৰ বাজেটত ভাৰতৰ GDP ৰ মাত্ৰ ২.৯% হে শিক্ষাখণ্ডৰ বিনিয়োগৰ বাবে নিৰ্দ্ধাৰণ কৰা হৈছে। আকৌ ভাৰতৰ গৱেষণা আৰু উন্নয়ন খণ্ড (Research and Development) ৰ বাবে মাত্ৰ ০.৭% বিনিয়োগ হে নিৰ্ধাৰণ কৰা হৈছে। ভাৰতবৰ্ষত এতিয়াও বিভিন্ন গৱেষণাৰ বাবে উন্নত যন্ত্ৰ-পাতি বা পৰীক্ষাগাৰৰ অভাৱ দেখা যায় যাৰ বাবে ছাত্ৰ-ছাত্ৰী বিদেশলৈ যাব লগা হয়। আনহাতে ভাৰতৰ স্বাস্থ্যখণ্ডও অন্যান্য দেশৰ তুলনাত যথেষ্ট পিছপৰি আছে। স্বাস্থ্যখণ্ডটো বিনিয়োগৰ হাৰ মুঠ GDP ৰ মাত্ৰ ২.১% হে।

এই 'ব্ৰেইন ড্ৰেইন'ৰ সমস্যাৰোধ কৰিবলৈ হ'লে আমি কৌশলী কৰ্মী সকলক বিভিন্ন ধৰণৰ সা-সুবিধা তথা উপযুক্ত মাননী প্ৰদান কৰিবই লাগিব। চৰকাৰেও মানৱ সম্পদ গঢ়ি পৰা খণ্ডসমূহ যেনে: শিক্ষা, স্বাস্থ্য, Research and Development ৰ ওপৰত গুৰুত্ব প্ৰদান কৰি এক সবল

আন্ত:গাঁথনিৰ নিৰ্মাণ কৰি যাতে কোনো ছাত্ৰ-ছাত্ৰী বিভিন্ন সুবিধা বিচাৰি বাহিৰলৈ যাব লগা নহয় তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে।

Scanned with CamScanner

# Beyond Horizon: Forging path in the space exploration

Have you ever gazed upon the celestial tap-estry of stars and dreamt of not just observing, but exploring. Well, the future of space exploration isn't just science fiction anymore; it is a realm brimming with exciting opportunities for young minds endowed with curiosity and ambition. While the professional astronaut come to mind, the future holds a vast array of career paths waiting to be charted, extending far beyond the astronaut suit.

This new frontier demands more than just astronauts. Aerospace engineers will design and build the spacecraft that propel us forward. Astrobiologist will search for life on other planets, unlocking mysteries of cosmos. Various companies are contribu-ting significantly, offering diverse opportunities in areas like slatellite technology and laun-ch operations.

What skills will these future space pione-

-ers need? While technical expertise in fields like engineering physics, and computer science remains crucial, strong communication and collaboration skills are equally essential for navigating complex projects involving international teams (ISRO, NASA, JAXA, ESA etc.) Additionally critical thinking, problem solving and adoptibility well Key is the face of unfor-seen challenges and the ever-evolving nature of space exploration.

The educational landscape is also evolving to equip young minds with necessary skills and knowledge. Univ-ersities worldwide offer specialized progr-ammes in space studies related fields Numerous workshops and online curses are also available to ignite passion and nurture the young generation of space enthusiast.

Space exploration isn't just about wonder and pushes the boundaries of technological inn-ovation. It has the potential

to find solutions for challenges we face on earth, like sustainable energy sources and improved climate monitoring.

So, young minds, the future of space exploration awaits youths contributions Embrace their curiosity, explore diverse career paths, and equip themselves with the neccessary skills.

Remember always "The limit is only the imagination". Steps forward, young pioneers and reach beyond the earths atmosphere into the destant stars.

Bornali Gogoi

জয়শ্ৰী বৰা
প্ৰথম ষাণ্মাসিক

# যুৱ প্ৰজন্মৰ মাজত ছ'চিয়েল মিডিয়াৰ ইতিবাচক প্ৰভাৱ

বৰ্তমান সময়ৰ যুৱক-যুৱতী আৰু ছ'চিয়েল মিডিয়াৰ সম্পৰ্ক শৰীৰ আত্মাৰ দৰে। যুৱ-প্ৰজন্মৰ মাজত ছ'চিয়েল মিডিয়াই তেওঁলোকৰ জীৱন উন্নতমান কৰাৰ লগতে অগ্ৰগতিৰ দিশতো ধাৱমান কৰে।

ছ'চিয়েল মিডিয়াই যুৱপ্ৰজন্মৰ মাজত বিভিন্ন দিশত ইতিবাচক প্ৰভাৱ পেলাইছে। যুৱ-সবলীকৰণৰ ক্ষেত্ৰত পৰা ইয়াৰ ইতিবাচক প্ৰভাৱ সমূহ :

ছ'চিয়েল মিডিয়াই যুৱক যুৱতীসকলক সমনীয়াৰ আৰু সম্প্ৰদায়ৰ সৈতে সংযোগৰ এক মঞ্চ প্ৰদান কৰে। যুৱপ্ৰজন্মক এক কৰ্মতৎপৰ বাতাৱৰণেৰে বান্ধি ৰাখে। এই মাধ্যমেৰে যুৱপ্ৰজন্মই নিজকে প্ৰকাশ কৰিবলৈ আৰু আগ্ৰহ ভাগ-বতৰা কৰিবলৈ সক্ষম হয়। এই জগতখন যুৱপ্ৰজন্মক বিভিন্ন বিষয়ৰ ওপৰত বিপুল পৰিমাণৰ তথ্য প্ৰদান কৰে। জিজ্ঞাসু যুৱকে মনে বিচৰা ধৰণে বাতৰি, শৈক্ষিক সম্পদ আৰু বৈচিত্ৰময় দৃষ্টিভংগীৰে অনুসন্ধানৰ সুবিধা লাভ কৰে। যুৱক-যুৱতীসকলে নিজৰ সৃষ্টিশীলতা আৰু প্ৰতিভা প্ৰদৰ্শন কৰিব পাৰে এই মাধ্যমেৰে। নিজৰ শিল্পকৰ্ম, ফটোগ্ৰাফী, লেখা আৰু অনন্য প্ৰকাশভংগীৰ প্ৰচাৰো সুকলমে কৰিব পাৰে।

ছ'চিয়েল মিডিয়াই সাংস্কৃতিক বিনিময় আৰু বিশ্ব-সজাগতাত অৰিহণা যোগাইছে। বিভিন্ন সংস্কৃতি আৰু ভিন্ন পটভূমিৰ ব্যক্তিৰ মাজত সংযোগ স্থাপন, পৰম্পৰা, ভাগ-বতৰা আৰু ইজন-সিজনৰ অভিজ্ঞতাৰ বিষয়ে সজাগতা বৃদ্ধি বাবে যুৱপ্ৰজন্মক এখনি মঞ্চ প্ৰদান কৰিছে। সেইদৰে ব্যৱসায় আৰু বাণিজ্যৰ বাবে এই মাধ্যম এক শক্তিশালী আহিলাত পৰিণত

হৈছে । কোম্পানীসমূহক তেওঁলোকৰ মূল লক্ষ্য গ্ৰাহকৰ কাষ চাপিবলৈ আৰু তেওঁলোকৰ সৈতে জড়িত হ'বলৈ, পণ্য আৰু সেৱাসমূহৰ প্ৰচাৰ কৰিবলৈ আৰু ব্ৰেণ্ড সজাগতা গঢ়ি তুলিবলৈ ছ'চিয়েল মিডিয়াই এক গুৰুত্বপূৰ্ণ ভূমিকা প্ৰদান কৰে ।

এই মাধ্যমটোৱে সামাজিক আন্দোলন আৰু সক্ৰিয়তাক সমৰ্থন কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে । বিভিন্ন সংগঠন ভিন্ন সামাজিক ৰাজনৈতিক বিষয়ৰ ওপৰত সজাগতা বৃদ্ধিৰ বাবে এক মঞ্চ প্ৰদান কৰে । Black Live Matter আৰু Climate Strick আদি ছ'চিয়েল মিডিয়াৰ জৰিয়তে গতি লাভ কৰা আন্দোলনৰ উদাহৰণ হিচাপে লব পাৰি ।

**মহা মহা পুৰুষৰ আলোকিখে**
**আমিও কৰিব পাৰোঁ**
**জীৱন গঢ়িত**



উঠা আৰু জাগ্ৰত হোৱা
যেতিয়ালৈকে তুমি
তোমাৰ লক্ষ্যত উপনীত
হ'ব নোৱাৰা

— স্বামী বিবেকানন্দ

## SHAPING TOMORROW'S LEADER :

## VITAL ROLE OF NGO IN YOUTH EMPOWERMENT

Indias vibrant young population, brimming with potential represents the nations future. However to unlock this potential and empower them for success, NGO plays a crucial role in bringing the gap and providing the necessary tools for them to thrive.

One key area of focus for NGO's is addressing educational disparities. They provide access to quality education, scholarship and vocational training programms for underprivileged youth. This is not only empowers individuals but also levels the playing field, ensuring everyone has the opportunity to compete and contribute significantly to society.

Furthermore, NGO's actively address the skill gap by offering workshops, mentorship programms, and entrepreneurship training. This equips young people with in demand skills crucial for navigating the ever-evolving job market and fosters a spirit of self reliance, enabling them to become independent and contributing numbers of the work-force.

Scanned with CamScanner

Beyond technical skills, NGO's play vital role in nurturing social and civil engagement among youth. They create safe spaces for dialogue, encourage participation in community development initiatives and provide leadership training.

This empowers young people to become active citizens who take ownership of their community and contribute positively to social progress.

Finally NGO's act as advocates for policies that benefit young people. They work towards increased access to mental health resources, promote gender equality and advocate for initiatives that create a supportive environment where young voices are heard and valued.

NGO's play a transformative role in ~~bearing~~ shaping the future of India by empowering its youth.

Through their efforts in fostering education, bridging the skill gap, Promoting civil engagement, and advocating for beneficial policies, they act as catalyst for a brighter future where young people can reach their full potential and become the driving force for the nation's Progress.

— Nikita Borah.

Scanned with CamScanner

# যুৱ সবলীকৰণ কিয় গুৰুত্বপূৰ্ণ !

ইতিবাচক সমাজ উন্নয়ন আৰু বহনক্ষম ভৱিষ্যত সৃষ্টিৰ বাবে যুৱ সবলীকৰণ অতি গুৰুত্বপূৰ্ণ। যুৱ ব্যক্তি সকলক সবলীকৰণে তেওঁলোকক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ সঁজুলী, জ্ঞান আৰু সুযোগ প্ৰদান কৰে, নিজৰ ভাগ্য গঠন কৰে আৰু সমাজৰ উন্নতিত অৰিহণা যোগায়।

প্ৰথমতে, যুৱক যুৱতী সকলক সবলীকৰণে তেওঁলোকৰ আত্মসন্মান আৰু আত্মবিশ্বাস বৃদ্ধি কৰে। তেওঁলোকক দক্ষতা আৰু শিক্ষাৰে সজ্জিত কৰি যুৱক-যুৱতী সকলে উদ্দেশ্যৰ অনুভূতি লাভ কৰে। যাৰফলত তেওঁলোকে প্ৰত্যাহ্বান সমূহৰ মাজেৰে পাৰ হ'ব পাৰে আৰু নিজৰ আকাংক্ষাক অনুসৰণ কৰিব পাৰে। এই সবলীকৰণে কেৱল ব্যক্তিক উপকৃত কৰাই নহয়, আত্মবিশ্বাসী আৰু দক্ষ যুৱক যুৱতী সকলে সামাজিক আৰু অৰ্থনৈতিক প্ৰগতিৰ সক্ৰিয় অৱদানকাৰী হোৱাৰ লগে লগে সম্প্ৰদায়সমূহক শক্তিশালী কৰে।

তদুপৰি যুৱ সবলীকৰণে অন্তৰ্ভুক্তি আৰু বৈচিত্ৰ্যক প্ৰসাৰিত কৰে। বিভিন্ন পটভূমি, সংস্কৃতি আৰু দৃষ্টিভংগীৰ যুৱক যুৱতী সকলক জড়িত কৰি সমাজ সমূহে ধাৰণা আৰু সমাধানৰ চহকী tapestry পৰা লাভবান হ'ব পাৰে।

Scanned with CamScanner

এই বৈচিত্ৰ্যই উদ্ভাৱন আৰু সৃষ্টিশীলতাক লালন-পালন কৰে। যিবোৰ জটিল বিশ্বজনীন প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাৰ বাবে অপৰিহাৰ্য উপাদান। ইয়াৰ উপৰিও ক্ষমতাশালী যুৱক যুৱতী সকলক ইতিবাচক পৰিৱৰ্তনৰ এজেণ্ট হোৱাৰ সম্ভাৱনা বেছি। যেতিয়া তেওঁলোকৰ মতামত প্ৰকাশৰ বাবে মঞ্চ প্ৰদান কৰা হয় আৰু তেওঁলোকৰ বাবে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ পোষকতা কৰা হয়, তেতিয়া যুৱ ব্যক্তিসকল সামাজিক পৰিৱৰ্তনৰ অনুঘটক হ'ব পাৰে। তেওঁলোকে সতেজ দৃষ্টিভংগী আনে, পৰম্পৰাগত নীতি নিয়মক প্ৰত্যাহ্বান জনায় আৰু সমাজৰ বিৱৰ্তনক অধিক সমতা আৰু ন্যায়ৰ দিশত আগুৱাই লৈ যায়।

তদুপৰি যুৱ সবলীকৰণত বিনিয়োগ কৰিলে দীৰ্ঘম্যাদী আৰু অৰ্থনৈতিক লাভ আছে। যুৱক যুৱতীসকলক সুশিক্ষিত আৰু প্ৰাসংগিক দক্ষতাৰে সজ্জিত হোৱাটো নিশ্চিত কৰি সমাজসমূহে অৰ্থ নৈতিক বৃদ্ধিৰ সূচনা কৰিব পাৰাকৈ এক দক্ষ কৰ্মশক্তিৰ সৃষ্টি কৰে।

Scanned with CamScanner

ইয়াৰ ফলত নিবনুৱাৰ হাৰ আৰু দৰিদ্ৰতা হ্ৰাস পায় যাৰ ফলত আৰ্থিক সমৃদ্ধিৰ ক্ষেত্ৰত অৰিহণা যোগায়।

আমি নিশ্চিত ক'ব পাৰি যে স্থিতিস্থাপক, সৰ্বাংগীন আৰু গতিশীল সমাজ গঢ়ি তোলাৰ বাবে যুৱ সৱলীকৰণ অতি প্ৰয়োজনীয়। ই কেৱল ব্যক্তিগত জীৱন বৃদ্ধি কৰাই নহয়, ইতিবাচক সম্প্ৰদায়ৰ বিকাশকো লাভান্বিত কৰে আৰু এক আধুনিক ভৱিষ্যত গঢ় দিয়ে আৰু বৃহত্তৰ মংগলৰ বাবে ব্যৱহাৰ কৰা হয়।

— ভৰত পেগু

# Sowing Solutions: Regenerative Agriculture for a thriving Ecosystem

Nasima Begum

Imagine a future where food nourishes not only our body but also the planet. Where agriculture embraces harmony with nature and the hands that tend the land leave a legacy of sustainability. This vision is cultivated by a new generation of young farmers who are embracing 'regenerative agriculture' and remaining food system for a brighter future.

Regenerative agriculture practices, such as cover cropping, Agroforestry, no-till farming, sequestering carbon and restoring biodiversity. Inspired by the principle of ecological stewardship, young farmers are embracing these techniques, not to bolster crop yields and enhance resilience to climate change but also heal landscape scarred by industrial agriculture.

Simultaneously, in urban centres and rural communities alike, young entrepreneurs are pioneering sustainable food systems, from

rooftop garden and community supported agriculture initiatives to food co-operatives and farmer's market. By reconnecting consumers with local growers and prioritizing organic, seasonal produce, these initiatives promote food sovereignty, community resillience and environmental sustainability.

Beyond farm gate, young activists are mobilizing for systemic change, advocating for policies that support regenerative agriculture and challenge the dominence of industrial food production. Those young pioneers are building vibrant communities by connecting directly with consumers through local markets and innovative "Farm to Table" initiatives. They are sharing knowledge and forging partnerships with younger farmers, fostering a collaborative spirit that strengthens the future of agriculture.

Empowering young farmers is crucial in ensuring the success of this movement. Educational programms, mentoring opportunities and access to

Scanned with CamScanner

financing are vital in nurturing their potential and fostering their transition into this new paradigm.

So, let us celebrate these young pioneers of regenerative agriculture. Let us support their journey and join them in cultivating a future where food and farming are synonymous with sustainability, community and a brighter tomorrow.

Scanned with CamScanner

# যুৱ শক্তি আৰু সৱলীকৰণ

যুৱ সৱলীকৰণ হৈছে যুৱক যুৱতীসকলক তেওঁলোকৰ জীৱন নিয়ন্ত্ৰণ আৰু ইতিবাচক বাছনি কৰাৰ লগতে সমাজৰ হকে অৱিহণা যোগাবলৈ সক্ষম কৰা। নিজৰ আৰু অনাগত প্ৰজন্মৰ বাবে এক উন্নত ভৱিষ্যত সৃষ্টিৰ ক্ষেত্ৰত এই সৱলীকৰণ অত্যন্তই প্ৰয়োজনীয়। যুৱ প্ৰজন্মক এখন সমাজৰ ভৱিষ্যত ৰূপে আখ্যা দিব পাৰি। এই যুৱ চামৰ জৰিয়তেই ইতিবাচক পৰিৱৰ্তনেৰে আমাৰ চৌপাশৰ জগতখনক নকৈ গঢ় দিয়াৰ এক প্ৰচুৰ সম্ভাৱনা অনুধাৱন কৰিব পৰা যায়।

কিন্তু আজিৰ যুৱ প্ৰজন্মই ও সততেই দৰিদ্ৰতা, নিবনুৱা সমস্যা, শিক্ষাৰ সীমিত সুবিধা আদিৰ দৰে বহুতো অসুবিধা তথা সমস্যাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। এনেবোৰৰ প্ৰত্যাহ্বান সমূহৰ সৈতে মোকাবিলা কৰাৰ লগতে যুৱক যুৱতীসকলক সফলতাৰ দিশত আগুৱাই নিবলৈ প্ৰয়োজনীয় সুযোগ, সুবিধা প্ৰদান কৰা আৰু বিভিন্ন ধৰণৰ পুঁজি সম্পদ আদি যোগান ধৰাকেই সহজ অৰ্থত যুৱ সৱলীকৰণ বুলি কোৱা হয়।

যুৱ সৱলীকৰণ সামাজিক পৰিৱৰ্তনৰ এক শক্তিশালী আহিলাস্বৰূপে। যুৱ প্ৰজন্মক শক্তিশালী কৰি তুলিব পাৰিলে তেওঁলোকে নিজস্ব সম্প্ৰদায় তথা সমাজত [illegible] ইতিবাচক পৰিৱৰ্তন সৃষ্টি কৰিব বুলি অনুমান কৰিব পাৰি।

এই যুৱ প্ৰজন্মই সামাজিক ন্যায়, সমতা আদিৰ বাবে উদ্ভাৱক আৰু পোষক হ'ব পাৰে।

কিন্তু এই যুৱ চামৰ সবলীকৰণৰ ক্ষেত্ৰত ব্যক্তি, সম্প্ৰদায়, চৰকাৰ আদি জড়িত হৈ এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। ইয়াৰ লগত যুৱক - যুৱতী সকলক এক নিৰাপদ আৰু সহায়ক পৰিৱেশৰ লগতে তেওঁলোকক শিক্ষা, প্ৰশি-ক্ষণ আৰু নিয়োগৰ সুযোগ প্ৰদান কৰা আদি বিষয় সমূহ জড়িত হৈ আছে। ইয়াৰোপৰি সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত যুৱ চামৰ অংশ গ্ৰহণক উৎসাহিত কৰা, তেওঁলোকৰ অধিকাৰৰ প্ৰসাৰতা প্ৰদান কৰা আদি দিশ সমূহো জড়িত হৈ আছে।

এই ক্ষেত্ৰত যুৱ প্ৰজন্মৰ সৃজনীশীলতা আৰু উদ্যমক সঠিক দিশত পৰিচালনা কৰিব লাগিব। যুৱক যুৱতী সকলক একো একোজন মানৱ সম্পদ হোৱাৰ যোগ্যতা অৰ্জন কৰিবৰ বাবে সুযোগ প্ৰদান কৰিব লাগিব। দেশৰ যুৱচামক যোগাত্মক, গঠনমূলক আৰু উদ্দেশ্যধৰ্মী কাৰ্য সূচীৰে আগবঢ়াই নিবলৈ গুণগত শিক্ষা, দক্ষতা বিকাশ, প্ৰশিক্ষণ আদিৰ ক্ষেত্ৰটো এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব।

— প্ৰিয়াংকিতা বৰা

# ড্ৰাগছ আৰু যুৱ প্ৰজন্ম

যুৱ প্ৰজন্ম হৈছে সমাজৰ এক বৃহৎ শক্তি, যাৰ ওপৰত বৰ্তমান আৰু ভৱিষ্যত নিৰ্ভৰ কৰে। এনেক্ষেত্ৰত উঠি অহা প্ৰজন্মক আগবাঢ়ি অহাত হেঙাৰ হিচাপে থিয় দিয়া এক ব্যাধি হ'ল ড্ৰাগছ[illegible]। ড্ৰাগছৰ ব্যৱহাৰে সামা[illegible], শাৰীৰিক, মানসিক [illegible] অৰ্থনৈতিক দিশত [illegible] সমাজৰ মাৰাত্মক ক্ষতি [illegible] কৰি আহিছে। [illegible] নাপালে আজিৰ যুৱ প্ৰজন্ম অতগাৰি[illegible]ত উত্তাৰল হৈ পৰে।



[illegible] ছেৱনৰ ফলত যুৱচামে নিজেই নিজ[illegible] নিঃ[illegible]ৰাৰ উপৰিও সমাজৰ বাবে [illegible] এটা কৰ[illegible] যি উদ্য[illegible] থাকে, সেই উদ্যম ধ্বংস কৰাৰ ফলত [illegible] ড্ৰাগছৰ নিচাৰ বাবে হত্যা, লুণ্ঠন, [illegible] আদিৰ দ[illegible] অপৰাধৰ মাত্ৰা বৃদ্ধি পাইছে। এই যুৱসমাজৰ বাবে ধ্বংসাত্মক কাৰ্যকলাপে এটা পৰিয়ালকে নহয়, সমাজ এখনক প্ৰদূষিত কৰে। ড্ৰাগছৰ ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ আজি মানৱ সভ্যতাৰ বাবে এক প্ৰত্যাহ্বান। নৱ প্ৰজন্মৰ মাজত ড্ৰাগছৰ ব্যাপক প্ৰচলনে সংকট আৰু অধিক ঘনীভূত কৰি তুলিছে। এনে প্ৰেক্ষাপটত যুৱ প্ৰজন্মক সঠিক পথত আনিবৰ বাবে ড্ৰাগছৰ বিৰুদ্ধে শক্তিশালী ব্যৱস্থা লোৱাৰ প্ৰয়োজন



Scanned with CamScanner

যিয়ে অদূৰ ভৱিষ্যতে গতিশীল বাতাবৰণৰ সূচনা কৰিব।

বিশ্বত ড্ৰাগছে এনেদৰে বিয়পাইছে যে অকল চহৰ-নগৰতে নহয়, গ্ৰামাঞ্চলতো ড্ৰাগছ আসক্তৰ সংখ্যা বৃদ্ধি পাইছে। ই এক ভয়ংকৰ প্ৰতিচ্ছবি। এখন শক্তিশালী সমাজ নিৰ্মাণ কৰিবলৈ হ'লে ড্ৰাগছৰ বিৰোধে চলোৱা অভিযানত প্ৰতি গৰাকী ব্যক্তিৰে সহযোগিতা নিতান্তই প্ৰয়োজন। যি যুৱ শক্তি সমাজ গঢ়াৰ ক্ষেত্ৰত এক অমূল্য সম্পদ ৰূপে পৰিগণিত হ'ব লাগে। সেই যুৱ শক্তিৰ এক অংশ এক মাত্ৰ নিচাযুক্ত দ্ৰব্যৰ বাবেই বিনাশৰ দিশে ধাৱমান হৈছে।

এনে ক্ষেত্ৰত উদাসীন হৈ নাথাকি যুৱশক্তিক উদ্ধাৰ কৰি সু-পথত আগুৱাই নিয়াটো সমাজৰ এজন দায়িত্বশীল নাগৰিক হিচাপে প্ৰত্যেকৰে দায়িত্ব। কিয়নো ছাত্ৰ-ছাত্ৰী, যুৱ সমাজ স্বাস্থ্যকৰ হৈ থাকিলেহে সমাজৰ নতুন স্বাস্থ্য আৰু ন্যায় এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি হৈ থাকিব।

→ বৰষা মহন
প্ৰথম ষাণ্মাসিক
ৰোল নং - ১৪

# যুৱশক্তি আৰু যুৱমানসিকতা

মানৱ সমাজৰ এক বৃহৎ শক্তি হ'ল যুৱশক্তি। যুৱপ্ৰজন্ম বুলিলে সাধাৰণতে আমাৰ সমাজৰ উদীয়মান যুৱক-যুৱতীসকলকে বুজা যায়। যুৱ মানসিকতা হৈছে উদীয়মান যুৱক-যুৱতীসকলৰ চিন্তা-চেতনা, বিচাৰ আদৰ্শ, মূল্যবোধ আৰু ধ্যান-ধাৰণাৰ প্ৰক্ৰিয়াত্মক ৰূপ। সমাজ জীৱনৰ ভৱিষ্যত নিৰ্ভৰ কৰে বৰ্তমান সময়ৰ যুৱ প্ৰজন্মৰ মানসিকতাৰ ওপৰত। তেওঁলোকৰ অবিহনে ভৱিষ্যতৰ সোণালী পৃথিৱীৰ ছবিখন কল্পনা কৰিব নোৱাৰি। দ্ৰুতগতিত পৰিৱৰ্তিত সমাজক এক অনন্য মাত্ৰা প্ৰদান কৰিবলৈ নৱ-নৱ চিন্তাৰ প্ৰয়োজনীয়তা আছে। এই ক্ষেত্ৰত যুৱপ্ৰজন্মক উৎসাহিত অনুপ্ৰাণিত কৰি সৃষ্টি আৰু যোগাত্মক দিশেৰে আগুৱাই নিবলৈ সকলোৱে চেষ্টা কৰিব লাগিব। সাম্প্ৰতিক সময়ত বিশ্বায়নে ভৌতিকতাৰ কৰাল গ্ৰাসত পেলাইছে। টেলিভিছন, ইণ্টাৰনেট, টুইটাৰ আদিৰ অপব্যৱহাৰৰ ফলত বিভিন্ন অপৰাধমূলক কাৰ্যকলাপ বৃদ্ধি পাবলৈ ধৰিছে। ফলত পৰিশ্ৰম, সততা, ত্যাগ, আদৰ্শ আদিৰ বিপৰীতে যুৱসমাজে হেৰুৱাই পেলাইছে সামাজিক মূল্যবোধ আৰু ব্যক্তিগত নৈতিক চেতনা। বৰ্তমান প্ৰচলিত সমাজ ব্যৱস্থাক এক বিশ্লেষণৰ দৃষ্টিভংগীৰে চালে দেখা যায় যে প্ৰকৃততে এই অস্থিৰ পৰিৱৰ্তনে এক ভয়াবহ বিপদ সংকেত কঢ়িয়াই আনিছে সমাজৰ নৱপ্ৰজন্মলৈ যাৰ ফলত নিবনুৱা আৰু যুৱ অপৰাধীৰ সংখ্যা বাঢ়ি গৈ আছে লগতে অৰাজকতা আৰু পতিনৰ দলে-দলেত

যুৱ প্ৰজন্ম যোৱাই পৰিছে। নিৰাশ হৈছে আজিৰ যুৱ-সমাজ। যথোপযুক্ত সংস্থাপন লাভ কৰাত ব্যৰ্থ হৈছে পৰিশ্ৰ সংখ্যক। যুৱ উচ্ছৃংখলতাই ব্যক্তিগত ভাৱে ক্ষতি কৰাৰ উপৰিও সমাজ, অৰ্থনৈতিক, ৰাজনৈতিক আদি সকলো দিশতে ঋণাত্মক প্ৰভাৱ পেলায়। যিটো অতি চিন্তা আৰু পৰিতাপৰ বিষয় হৈ পৰিছে। প্ৰত্যেক উদীয়মানে বাস্তৱ জীৱনক সংযমী আৰু সংস্কাৰিত সুন্দৰ কৰ্ম সন্ধানী কৰি নিজৰ পিতৃ-মাতৃক পৰম সন্তোষ প্ৰদান কৰি ৰাখি, আনৰ কোনো ক্ষয়-ক্ষতি নকৰাকৈ নিজৰ কৰণীয়খিনি সময়মতে নিয়াৰিকৈ আৰু সততাৰে কৰি গ'লেহে আমাৰ এই আজিৰ সমাজলৈ সুস্থিৰতা আহিব। যুৱ সমাজে বৰ্তমানৰ চিন্তা-ধাৰাক এক সুস্থিৰ গতি প্ৰদান কৰি নিৰাশা-হতাশাক উদ্যোগী তথা যোগাত্মক কৰ্মলৈ ৰূপান্তৰিত কৰি আগুৱাই যাব পাৰিলেহে এখন সুন্দৰ সমাজ আৰু এটা শক্তিশালী জাতি গঢ়ি তোলাটো সহজ হৈ পৰিব।

সংস্কাৰমুখী মনোভাৱেৰে প্ৰত্যেকেই আগুৱাই আহি নিজৰ কৰ্মখিনি নিষ্ঠা, সততা, সৎসাহসেৰে কৰি গ'লেহে আমাৰ সমাজৰ প্ৰগতিৰ এক নতুন দিগন্তৰ সূচনা হ'ব।

বৰশাৰাণী ৰভা
প্ৰথম ষাণ্মাষিক

দীপশিখা দত্ত
প্ৰথম ষাণ্মাষিক

# শিক্ষা আৰু যুৱশক্তি

যুৱশক্তি প্ৰকৃত শিক্ষাৰে শিক্ষিত হৈ উঠিলে দেশে নিঃসন্দেহে উন্নতিৰ পথত আগবাঢ়িব। শিক্ষাৰ বিশেষকৈ উচ্চশিক্ষাৰ গুণগতমান আৰু ভাবমূৰ্তি উজ্জ্বল হৈ থাকিলে যুৱশক্তি প্ৰকৃত শিক্ষাৰে শিক্ষিত হৈ উঠিব পাৰিব। তেতিয়াহে দেশে নিঃসন্দেহে উন্নতিৰ পথত আগবাঢ়িব। আজিৰ পৰা বহু বছৰৰ আগতেই সেই সময়ৰ ভাৰতৰ ৰাষ্ট্ৰপতি ডক্টৰ এ.পি.জে আব্দুল কালামে শিক্ষকসকলক ছাত্ৰ সমাজৰ নেতৃত্ব দিবলৈ আহ্বান জনাইছিল। গাওঁ অঞ্চলত উন্নয়ন আৰু বিকাশৰ প্ৰচুৰ সম্ভাৱনা থকা স্বত্ত্বেও নেতৃত্বৰ অভাৱত গাওঁবিলাক অনুন্নত হৈয়ে আছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰিছিল। ইলেক্ট্ৰনিক পদ্ধতিৰে গ্ৰামাঞ্চলৰ লগত সংযোগ সাধনৰ লগতে জ্ঞান আৰু শিক্ষাৰ দ্বাৰা সংযোগ

সাধন কৰিব লাগিব বুলি কালামে মত প্ৰকাশ কৰিছিল। কালামে যুৱকসকলৰ সন্মুখত এটা লক্ষ্য থাকিব লাগিব আৰু সেই লক্ষ্যত উপনীত হ'বলৈ শ্ৰম কৰিব লাগিব বুলি কৈছিল। তেওঁলোকে জীৱনৰ বাটত হয়তো বহুতো সমস্যাৰ সন্মুখীন হ'ব কিন্তু সাহসেৰে সেই সমস্যাসমূহ সমাধান কৰিবলৈ যত্ন কৰিব লাগিব। পৰম আশা ব্যঞ্জক কথা যে, আমাৰ দেশত এক বৃহৎ যুৱসম্পদ আছে। যুৱশক্তিৰ উদ্দীপ্ত, উদ্বুদ্ধ মন এটা জাতৰ সম্পদ আৰু এই সম্পদৰ ওচৰত আন কোনো সম্পদেই ফেৰ মাৰিব নোৱাৰে।

এটা অতি গুৰুত্বপূৰ্ণ কথাত আমি যথোচিত গুৰুত্ব দিয়া নাই। সেয়া হৈছে- যুৱশক্তিক অতীত গৌৰৱেৰে গৌৰৱান্বিত কৰি তোলা। এটা জাতিক, জাতিৰ যুৱশক্তিক অনুপ্ৰেৰণা যোগাব পাৰে সেই জাতিৰ অতীত গৌৰৱে। এটা সময়ত ভাৰতীয় মানুহক অতীতৰ গৌৰৱ সোঁৱৰাই দিবলগীয়া হৈছিল ৰামকৃষ্ণ পৰমহংস, বিবেকানন্দ, মহম্মদ ইকবাল আদি মহাপুৰুষসকলে। অতীত

গৌৰৱৰ সঞ্জীৱনী মন্ত্ৰৰ যাদুকাৰি প্ৰভাৱ স্বাধীনতা আন্দোলনৰ কালছোৱাত বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বই হৃদয়ংগম কৰি ভাৰতীয় হিচাপে গৌৰৱ কৰাৰ এক পৰিৱেশ গঢ় দিবলৈ যত্ন কৰা দেখা গৈছিল।

এটা সঠিক অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক দিশত আগবঢ়াই নিবলৈ হলে প্ৰথম প্ৰয়োজন হব জাতিটোৰ অতীত গৌৰৱ উদ্ধাৰ কৰাটো। ধৰ্ম-দৰ্শন, কলা-সংস্কৃতি, সাহিত্য, ৰাজনীতি, সমাজনীতি আদি মানৱতাৰ বিকাশ সাধনে কৰা সমলসমূহৰ অতীত সম্বন্ধীয় জ্ঞান নহ'লে বৰ্তমানৰ প্ৰকৃত মূল্যায়ন সম্ভৱ হৈ উঠিব নোৱাৰে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ গৌৰৱময় অতীতৰ অধিকাংশ তথ্য অন্ধকাৰৰ অতল গহ্বৰত ডুব গৈ আছে।

অসমৰ প্ৰায় ছশমান স্থানত বহুতো আপুৰুগীয়া প্ৰাচীন সম্ভাৰ আছে, যিবিলাক সংৰক্ষণৰ অভাৱত জহি-খহি গৈছে। প্ৰাচীন গ্ৰন্থসমূহত থকা সাঁচিপতীয়া সচিত্ৰ আৰু অন্যান্য পুথিসমূহ, পত্ৰনপুত্ৰ, জয়-বিজয়, গৰুড় মূৰ্তি আদি নানা ধৰণৰ ভাওনাৰ মুখা, পুৰণি সাজ-পাৰ, সা-অলংকাৰ দোলা আদি পুৰণি সম্ভাৰ অসমৰ গাঁৱে ভূঞে সিঁচৰিত হৈ নষ্ট হব ধৰিছে।

Scanned with CamScanner

আজিৰ সংৰক্ষণ-প্ৰযুক্তিৰ, তথ্য প্ৰযুক্তিৰ দিনত, ইণ্টাৰনেটৰ দিনত এই পুৰণি সামগ্ৰীবিলাক সংৰক্ষণ কৰা সাধাৰণ কথা হৈ পৰিছে। পৰম আনন্দৰ কথা যে এই দিশত অসম চৰকাৰে, তেজপুৰ বিশ্ববিদ্যালয়কে ধৰি অসমৰ বিশ্ববিদ্যালয়কেইখনে আৰু অসম সাহিত্য সভাই ইতিমধ্যে পদক্ষেপ গ্ৰহণ কৰিছে।

যুৱশক্তিক প্ৰকৃত শিক্ষাৰে শিক্ষিত কৰি তুলিবলৈ জাতীয় আদৰ্শৰ সন্ধান দিব লাগিব। ধন-কাপোৰ, চাকৰি, জীৱন-যাপনৰ উচ্চ মানদণ্ড, এইবোৰ অতি আৱশ্যকীয় কথা হ'লেও এই কথাবিলাকে জনসাধাৰণক এটা আদৰ্শ বা পথৰ সন্ধান দিব নোৱাৰে যুৱ সমাজৰ জীৱন গঢ়াৰ প্ৰেৰণা আছে, জীৱনৰ উদ্দেশ্য আছে। প্ৰাক্তন ৰাষ্ট্ৰপতি ডক্টৰ এ. পি. জে আব্দুল কালামে দুৰ্নীতি নিৰ্মূলৰ বাবে ব্যক্তিৰ চৰিত্ৰ গঢ় লৈ উঠিব কাৰণে প্ৰয়োজন পৰিয়ালৰ শান্তিপূৰ্ণ পৰিবেশ আৰু নিৰৱচ্ছিন্ন এটা শিক্ষা ব্যৱস্থাৰ। শিশু অৱস্থাৰ পৰাই এই গুণবোৰ গঢ় লৈ উঠিব লাগিব। জনসাধাৰণে দুৰ্নীতিমুক্ত স্বচ্ছ প্ৰশাসন গঢ় লৈ উঠাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি যুৱশক্তিক উজ্জীৱিত কৰি তুলিব লাগিব।

Scanned with CamScanner

# শিক্ষা আৰু যুৱসবলীকৰণ

সমাজৰ জটিল সময়ত শিক্ষাই যুৱক-যুৱতী সকলৰ বাবে পথ প্ৰদৰ্শক পোহৰ হিচাপে থিয় দি সবলীকৰণ আৰু আত্ম-আৱিষ্কাৰৰ পোষকতা কৰে। কৈশোৰৰ পৰা প্ৰাপ্তবয়স্কলৈ পৰিৱৰ্তন, প্ৰত্যাহ্বান আৰু সুযোগেৰে ভৰা এক পৰিৱৰ্তনশীল সময় আৰু শিক্ষাই যুৱসকলক তেওঁলোকৰ সম্ভাৱনা উপলব্ধি কৰাৰ দিশত কম্পাছ হিচাপে কাম কৰে। ই কেৱল জ্ঞান প্ৰদান কৰাই নহয়, সমালোচনাত্মক চিন্তাধাৰাকো জ্বলাই দিয়ে, সক্ৰিয় অংশগ্ৰহণক ইন্ধন যোগায়, তথা উজ্বল আৰু অধিক শক্তিশালী ভৱিষ্যতৰ পথ প্ৰশস্ত কৰে। শিক্ষাই যুৱ সবলীকৰণৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতক একেলগে বোৱা সেই সজীৱ সূতা হিচাপে থিয় দিছে। প্ৰগতি আৰু ইতিবাচক পৰিৱৰ্তনৰ দিশত পথ প্ৰদৰ্শক হিচাপে কাম কৰে। শিক্ষাই আধুনিক পৃথিৱীৰ জটিলতাৰ লগত যুঁজিবলৈ বৌদ্ধিক চঞ্চলতাৰে সজ্জিত কৰে। যুৱ সবলীকৰণৰ প্ৰেক্ষাপটত শিক্ষাৰ গভীৰ গুৰুত্বৰ বিষয়ে চিন্তা কৰি থাকোঁতে মনত ৰাখিব লাগিব যে শিক্ষাত বিনিয়োগ কৰাটো কেৱল জ্ঞানৰ বিনিয়োগ নহয়; ই হৈছে সকলোৰে বাবে অধিক উজ্জ্বল আৰু গভীৰভাৱে শক্তিশালী ভৱিষ্যতৰ বিনিয়োগ।

— শ্ৰী বিদ্যুৎ গগৈ।

Scanned with CamScanner

# সূৰ্য্যমুখী প্ৰতিভা পদ্মশ্ৰী সুধামূৰ্ত্তি

"For ten thousand steps journey that always one step to start"

এক বিশিষ্ট ব্যক্তিত্বৰ অধিকাৰী মহিলা, যাৰ জীৱনশৈলী আৰু চিন্তাধাৰা আমাৰ বাবে অনুপ্ৰেৰণাৰ উৎস। বৰ্তমানৰ যুৱ-প্ৰজন্মৰ ক্ষেত্ৰত তেওঁ হ'ল উজ্জ্বল নিদৰ্শন। তেওঁ হ'ল এগৰাকী প্ৰসিদ্ধ ভাৰতীয় লেখিকা পদ্মশ্ৰী সুধামূৰ্তি। তেখেতৰ জন্ম ১৯৫০ চনৰ ১৯ আগষ্ট তাৰিখে কৰ্ণাটকত হয়। তেওঁৰ পিতৃ ডা: আৰ এইচ কুলকাৰ্ণী এজন শল্য চিকিৎসক আৰু মাতৃ বিমলা কুলকাৰ্ণী এগৰাকী শিক্ষয়িত্ৰী আছিল। তেওঁ বি.ভি.বি. অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ পৰা বৈদ্যুতিক অভিযান্ত্ৰিক শাখাৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াত তেওঁ প্ৰথম বিভাগৰ প্ৰথম হোৱাৰ বাবে কৰ্ণাটকৰ মুখ্যমন্ত্ৰীৰ পৰা সোণৰ পদক লাভ কৰে। তাৰপিছত তেওঁ ভাৰতীয় বিজ্ঞান প্ৰতিষ্ঠানৰ পৰা কম্পিউটাৰ বিজ্ঞান বিভাগৰ পৰা অভিযান্ত্ৰিক বিদ্যাৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। যাৰ বাবে ভাৰতীয় অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ পৰা সোণক পদক লাভ কৰে। অদম্য ধৈৰ্য্য আৰু সাহসৰ অধিকাৰী সুধামূৰ্তি আছিল মহাবিদ্যালয়ৰ ১৪৯ জন ল'ৰা ছাত্ৰৰ ভিতৰত একমাত্ৰ ছাত্ৰী। ঠিক একেদৰে বিশ্ববিদ্যালয়ৰ ৫৯৯ জন ল'ৰা ছাত্ৰৰ ভিতৰতো একমাত্ৰ ছাত্ৰী আছিল। বিশ্ববিদ্যালয়ত নামভৰ্তিৰ সময়ত সুধামূৰ্তি আৰু তেওঁৰ দেউতাকৰ ওচৰত তিনিটা চৰ্ত ৰখা হৈছিল – তেওঁ সদায় শাৰী পিন্ধি আহিব লাগিব, কেণ্টিনলৈ যাব নোৱাৰিব, কোনো ল'ৰা ছাত্ৰৰ সৈতে বাৰ্তালাপ কৰিব নোৱাৰিব। তাৰোপৰি কোনোধৰণৰ

মহিলা শৌচ-প্ৰস্ৰাৱগাৰৰ ব্যৱস্থা নাছিল। উক্ত প্ৰত্যাহ্বানসমূহ নেওচি তেখেতে নিজৰ ইঞ্জিনীয়াৰিঙৰ শিক্ষা আহৰণ কৰে।

সুধা মূৰ্তি ভাৰতৰ আটাইতকৈ ডাঙৰ মটৰগাড়ী নিৰ্মাতা কোম্পানী টাটা ইঞ্জিনীয়াৰিং এণ্ড ল'ক'মটিভ কোম্পানীয়ে নিযুক্তি দিয়া প্ৰথম মহিলা। এই নিযুক্তি লাভৰ কাহিনীও অতি প্ৰেৰণাদায়ক। তেওঁ দেখিলে টেলক'ৰ এটা বিজ্ঞাপনত বি.দ্ৰ.ত লিখিছিল যে কোনো মহিলা প্ৰাৰ্থীয়ে আবেদন কৰিব নোৱাৰে, এই কথা তেওঁ সহ্য কৰিব নোৱাৰিলে, তেওঁ টাটাৰ অধ্যক্ষলৈ এই কোম্পানীত কেৱল পুৰুষক নিযুক্তি দিয়াৰ বাবে লিংগ বৈষম্যৰ অভিযোগ জনাই চিঠি লিখিছিল। পিছলৈ তেওঁৰ বাবে বিশেষ সাক্ষাৎকাৰ অনুষ্ঠিত কৰি তেওঁক নিযুক্তি দিয়া হৈছিল। সুধামূৰ্তিয়ে টেলক'ত তেওঁৰ সহযোগী অভিযন্তা এন আৰ নাৰায়নমূৰ্তিৰ লগত পুনেত বিবাহপাশত আবদ্ধ হয়। তেওঁলোকৰ দুগৰাকী সন্তান অক্ষতা আৰু ৰহনমূৰ্তি। অক্ষতাৰ স্বামী ঋষি শুনাক বৰ্তমান ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী।

১৯৯৬ চনত তেওঁ শিক্ষা আৰু স্বাস্থ্যৰ লগত জড়িত এটা বে-চৰকাৰী সংস্থা ইনফ'চিছ ফাউণ্ডেচন আৰম্ভ কৰে আৰু ইয়াৰ জৰিয়তে বিভিন্ন জনকল্যাণমূলক কাম-কাজসমূহ ৰূপায়ন কৰে।

সুধা মূৰ্তিয়ে বহুতো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটা আৰু সন্মান লাভ কৰিছে। ১৯৯৫ চনত শ্ৰেষ্ঠ শিক্ষক বঁটা, ২০০৬ চনত সাহিত্যৰ আৰ কে নাৰায়ণ বঁটা, ২০০৬ চনত পদ্মশ্ৰী আৰু ২০২৩ চনত পদ্মভূষণ বঁটা লাভ কৰে।

তেখেতে মূলতঃ কানাড়া আৰু ইংৰাজী ভাষাত লিখা-মেলা কৰে। তেখেতৰ বহুমূল্যবান ৰচনাৰাজীৰ ভিতৰত অন্যতম হ'ল —

Scanned with CamScanner

"How the onion get its Layers", "How I taught my Grandmother to read and other stories."

সুধা মূৰ্তি আমাৰ সমাজৰ বাবে এক আদৰ্শস্বৰূপ। তেওঁ আমাক শিকাইছে যে মানৱতা আৰু নৈতিক মূল্যবোধ অমূল্য সম্পদ যিবোৰ ক্ৰয় কৰিব নোৱাৰি। অতি সাধাৰণ জীৱন যাপন কৰা সুধা মূৰ্তি স্ফূৰ্তিবাজ আৰু বন্ধুত্বসুলভ স্বভাৱৰ। দূৰদৰ্শনত প্ৰদৰ্শিত এক ৰিয়েলিটি শ্ব'ত লোৱা তেওঁৰ সাক্ষাৎকাৰে মোক বাৰুকৈয়ে প্ৰভাৱিত কৰিলে।

আয়েচা বেগম
প্ৰথম ষাণ্মাসিক
ৰোল নং - ৪

Scanned with CamScanner

# যুৱ-সবলীকৰণ আঁচনিৰ প্ৰয়োজনীয়তা

এখন দেশৰ উন্নয়নত যুৱ-সম্প্ৰদায়ৰ ভূমিকা অতি মহত্ত্বপূৰ্ণ। দেশৰ উজ্জ্বল ভৱিষ্যত গঢ়িবলৈ যুৱ সম্প্ৰদায়ৰ সবলীকৰণ অতি জৰুৰী। ভাৰতবৰ্ষ আজি পৃথিৱীৰ ভিতৰত এখন অন্যতম যুৱ দেশ হৈছে। সত্ত্বেও আন্তৰ্জাতিক প্ৰেক্ষাপটত এখন উন্নত দেশ হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত সফল হ'ব পৰা নাই। যুৱ সম্প্ৰদায়ক গঠনমূলক কামত নিয়োজিত কৰি দেশৰ উন্নয়নৰ অংশীদাৰ কৰিবলৈ হ'লে গাঁৱৰ যুৱক-যুৱতীক প্ৰয়োজনীয় সুযোগ প্ৰদান কৰিব লাগিব, যাতে তেওঁলোকে নিজে নিজৰ সিদ্ধান্ত ল'ব পাৰে আৰু নিজৰ জীৱনৰ লগতে আনৰ জীৱনৰ অৱস্থাৰ পৰিৱৰ্তন কৰিব পাৰে। ইয়াৰ কাৰণে গ্ৰামাঞ্চলৰ যুৱ-প্ৰজন্মৰ সৃজনশীলতা আৰু জ্ঞানক সঠিক দিশত পৰিচালনা কৰিব লাগিব। যুৱক-যুৱতীক একো একোজন মানৱ সম্পদ হোৱাৰ যোগ্যতা অৰ্জন কৰিবলৈ সুযোগ দিব লাগিব। দেশৰ যুৱচালক যোগাত্মক, গঠনমূলক আৰু উদ্দেশ্যধৰ্মী কাৰ্যসূচীবোৰ আগবঢ়াই নিবলৈ হ'লে গ্ৰামাঞ্চলত গুণগত শিক্ষা, দক্ষতা বিকাশ প্ৰশিক্ষণ আৰু তথ্য-প্ৰযুক্তি উপলব্ধ কৰাব লাগিব।

বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশৰ ফলত আজি সামগ্ৰিকভাৱে আমাৰ দেশৰ শিক্ষা, স্বাস্থ্য, যোগাযোগ আদি ক্ষেত্ৰত ব্যাপক উন্নয়ন হৈছে। কিন্তু চহৰৰ তুলনাত গাঁৱৰ যুৱক-যুৱতীয়ে আজিও উচ্চমানৰ শিক্ষা, প্ৰশিক্ষণ, সংস্থাপন আদিৰ ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আছে। চৰকাৰে বহু আঁচনি লৈছে যদিও গাঁৱৰ নিবনুৱা যুৱক-

যুৱতীক উপযুক্তভাৱে কৰ্মসংস্থাপন দিব-পৰা নাই। গ্ৰামাঞ্চলৰ বেছিসংখ্যক যুৱক-যুৱতীয়ে কৰ্মসংস্থাপনৰ ক্ষেত্ৰত সৃষ্টি হোৱা নতুন নতুন সুযোগৰ বিষয়ে জ্ঞাত নহয়। ফলত যুৱ-প্ৰজন্মৰ মনত হতাশা বৃদ্ধি পায়। চৰকাৰে যুৱ-প্ৰজন্মৰ প্ৰতি থকা দায়বদ্ধতা নিষ্ঠাৰে পালন কৰিব লাগিব। এনে এক প্ৰেক্ষাপটত গাঁৱৰ যুৱ-প্ৰজন্মৰ প্ৰতিভা আৰু শক্তিৰ বিকাশৰ কাৰণে সময়োপযোগী আৰু ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে।

অপশাস্মিনি লেইং।
প্ৰথম ষান্মাসিক

নিমামীন বৰা
প্ৰথম ষাণ্মাসিক

# যুৱ সৱলীকৰণত যোগৰ ভূমিকা

ইউনেস্কোই দিয়া ধৰা ব্যাখ্যা অনুযায়ী 'যুৱ' বুলিলে লৰালি-কালৰ নিৰ্ভৰশালী অৱস্থাৰ পৰা প্ৰাপ্তবয়স্কৰ স্বতন্ত্ৰ অৱস্থালৈ পৰিবৰ্তিত হোৱা এটা কাল হিচাপে বুজা যায়। সেই কালছোৱাতেই এজন সমাজৰ সদস্য হিচাপে আমাৰ স্বতন্ত্ৰতা সম্বন্ধে চেতনা জাগে।

যুৱক-যুৱতীসকল হৈছে এখন দেশৰ সম্পদ তথা এটা জাতিৰ জীৱনী শক্তি। যুৱ প্ৰজন্মই হৈছে উত্তৰ প্ৰজন্মৰ ন্যাসৰক্ষী। যুৱ সবলীকৰণে যুৱক-যুৱতীসকলৰ জীৱনৰ মানদণ্ড উন্নত কৰাকে বুজায়। যুৱ-সবলীকৰণৰ মূলমন্ত্ৰ হ'ল উপযুক্ত প্ৰয়োজনীয় শিক্ষা গ্ৰহণ কৰা। এই শিক্ষাই যাতে নিয়োজিত হ'বলৈ শিকাই আৰু দক্ষতা বৃদ্ধি কৰে লগতে যুৱকসকলৰ মাজত সংস্কাৰকামী পৰিৱৰ্তনে দেখা দিয়ে। প্ৰকৃতাৰ্থত যুৱ সবলীকৰণে নিজৰ জীৱনৰ দায়িত্ব ল'বলৈ শিকোৱাৰ লগতে আত্মবিশ্বাস আৰু মূল্যবোধবোৰ শিক্ষা দিয়ে।

বৰ্তমান সময়ত সুৰ সাবলীকৰণৰ ক্ষেত্ৰত যোগৰ ভূমিকা অতিকৈ প্ৰয়োজনীয়। দেহ, মন আৰু আত্মাৰ সমন্বয়ে হৈছে যোগ। যোগে বৰ্তমান প্ৰেক্ষাপটত বিশ্বব্যাপী খ্যাতি অৰ্জন কৰিছে। এটা সু-স্বাস্থ্যৰে জীৱন-নিৰ্বাহ কৰিবলৈ হ'লে যোগেই হ'ল এটা ঔষধিবিহীন উপশম। যোগৰ অভ্যাসে অসুস্থ শৰীৰ সুস্থ, দুঃচিন্তাগ্ৰস্ত মন শান্ত কৰাৰ লগতে ধৈৰ্য আৰু স্মৃতিশক্তি বৃদ্ধি কৰায়। ভাৰতত বহু হাজাৰ বছৰৰ পূৰ্বে ঋষি মুনিসকলৰ দ্বাৰা যোগ চৰ্চাৰ বিকশিত হৈছিল। যোগৰ দ্বাৰাই ব্যক্তিয়ে আধ্যাত্মিকভাৱে শৃংখলিত এটা জীৱন নিৰ্বাহ কৰিব পাৰে।

প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱৰ লগে লগে আমাৰ জীৱনবোৰো আৰামদায়ক হৈ গৈছে। ঘৰুৱা কাম-বনৰ প্ৰতিও আমাৰ অনিহা ভাৱ অহা দেখা যায়। অশুদ্ধ জীৱনশৈলী, অপুষ্টিকৰ খাদ্যাভ্যাস, বিভ্ৰমান অপসংস্কৃতিয়ে আমাৰ জীৱনৰ দৈহিক, মানসিক, আধ্যাত্মিক, বৌদ্ধিক, সামাজিক, আৱেগিক আদি সকলো দিশতে দ্বিধাগ্ৰস্ত কৰি সমস্যাৰ সৃষ্টি কৰিছে। এই সমস্যাৰ নিৰ্মূলকৰণৰ ক্ষেত্ৰত যোগে প্ৰচেষ্টা চলায়। কৰ্মত সন্তুষ্টি প্ৰদান কৰাৰ লগতে মানুহ আৰু প্ৰকৃতিৰ মাজত ঐক্যভাৱ স্থাপনৰ ক্ষেত্ৰতো যোগে গুৰুত্বপূৰ্ণ ভূমিকা

Scanned with CamScanner

প্ৰদান কৰে।

বৰ্তমান সময়ত আমাৰ যুৱক-যুৱতী সকলে সন্মুখীন হোৱা সমস্যাসমূহ এনেধৰণৰ—

ক) অত্যধিক মানসিক চাপ।

খ) পাৰম্পৰিক হিংসা

গ) উদ্বিগ্নতা আৰু হতাশা।

ঘ) আত্মহত্যাৰ প্ৰৱণতা।

এইসমূহ সমস্যা নিৰাময়ৰ ক্ষেত্ৰত যোগেই একমাত্ৰ মহৌষধি। যোগৰ নিয়মিত অনুশীলনে দেহ, মন পবিত্ৰ কৰি তোলাৰ লগতে শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ দিশত শক্তি লাভৰ কাম কৰে। আমি অস্বাস্থ্যকৰ আহাৰ গ্ৰহণ কৰাৰ ফলতেই মেদবহুলতাৰ দৰে বহু বেমাৰৰ সৃষ্টি হৈছে। প্ৰাচীন সময়ছোৱাত যোগৰ ভিত্তি আছিল সুষম তথা পুষ্টিকৰ বা সাত্ত্বিক আহাৰ গ্ৰহণ কৰা আৰু খাদ্যৰ লগত আসনৰ উচিত অভ্যাস কৰা। আহাৰ অনুসৰি মানুহৰ চাৰিত্ৰিক আচৰণসমূহ গঢ় লৈ উঠে কোৱা হৈছে ৰাজসিক আৰু তামসিক আহাৰতকৈ সাত্ত্বিক আহাৰ গ্ৰহণে মানুহক দীৰ্ঘায়ু কৰাৰ লগতে সু-স্বাস্থ্যৰ গৰাকী কৰি ৰাখে।

Scanned with CamScanner

ধৃতিশ্ৰী শইকীয়া
প্ৰথম ষাণ্মাসিক

# আধ্যাত্মিক বিকাশৰ জৰিয়তে ছাত্ৰ সবলীকৰণ

আজিৰ দ্ৰুত গতিত পৰিৱৰ্তিত পৃথিৱীখনত সমাজৰ বৃদ্ধি আৰু বিকাশৰ বাবে ছাত্ৰ সবলীকৰণ অতি গুৰুত্বপূৰ্ণ। ছাত্ৰ ব্যক্তিসকলক তেওঁলোকৰ সম্পূৰ্ণ সম্ভাৱনা লাভ কৰিবলৈ প্ৰয়োজনীয় সঁজুলি, সম্পদৰ সুযোগ, পৰিৱেশ আদি প্ৰদান কৰা উচিত। এই ক্ষেত্ৰত বিভিন্ন কৌশল আছে যদিও আধ্যাত্মিক বিকাশ একত্ৰিত কৰিলে গভীৰ আৰু স্থায়ী সুবিধা লাভ আৰু জীৱনৰ ৰহস্যতাসমূহৰ গভীৰ বুজা-বুজিত সহায় কৰিব।

উচ্ছৃংখল ছাত্ৰসমাজত আধ্যাত্মিকতাৰ পৰশত ধৈৰ্য্য, শৃংখলাবদ্ধ আৰু ইতিবাচক আচৰণ গঢ় দিয়াত সহায় কৰে। জীৱনৰ প্ৰত্যাহ্বান সমূহৰ লগত মুখামুখি হ'বলৈ শিকায়, দয়া সহানুভূতি, মমতাৰ দৰে মূল্যবোধ গঢ় দিয়াত সহায় কৰে লগতে চিন্তাশীল সিদ্ধান্ত গ্ৰহণত অনুপ্ৰেৰণা যোগায়। আধ্যাত্মিকতাৰ লগত একাত্ম হোৱাৰ পাছত ছাত্ৰ-ছাত্ৰীৰ মানসিক চাপ, অনাকাংক্ষিত উত্তেজনাৰ পৰা অৱকাশ মানসিক, আবেগিক তথা সামগ্ৰীক মংগল সাধন কৰে।

যুৱক-যুৱতীয়ে এই ক্ষেত্ৰত হাতত লবলগীয়া কিছু পদক্ষেপ হ'ল— ধ্যান, মননশীলতা প্ৰকৃতিৰ সৈতে সময় কটোৱা, নিজৰ চিন্তা আৰু সেৱাৰ কামত লিপ্ত থকা ইত্যাদি।

আধ্যাত্মিক সবলীকৰণে ভৱিষ্যতৰ সমাজ গঢ় দিয়াত যুৱক-যুৱতীসকলক প্ৰস্তুত কৰি তুলিব। শৈক্ষিক পৰিৱেশ বা সম্প্ৰদায়ৰ কাৰ্যসূচীত এই পদ্ধতিসমূহ সংযোগ ঘটোৱাৰ ফলস্বৰূপে যুৱক-যুৱতীৰ নিজৰ আৰু চৌপাশৰ জগতখনৰ সৈতে গভীৰ সংযোগ গঢ়ি তুলিবলৈ সক্ষম কৰিব। সমাজৰ কু-সংস্কাৰসমূহক প্ৰত্যাহ্বান জনায় আৰু বৈচিত্ৰ্যৰ মাজত ঐক্যৰ অনুভূতি গঢ়ি তুলিবলৈ সক্ষম হয়।

যুৱ বিকাশত আধ্যাত্মিকতাৰ মাপক অন্তৰ্ভুক্ত কৰি সমাজ এখনে এনে এক প্ৰজন্মৰ নেতাক সৃষ্টি কৰিব পাৰে যিসকল কেৱল উচ্চ দক্ষতাৰে সজ্জিত নহয়, সম্প্ৰদায়ৰ সমৃদ্ধিশালী আৰু অধিক দয়ালু আৰু সুষম ভৱিষ্যতৰ দিশত মানৱতাৰ উন্নতিৰ ক্ষেত্ৰতো বিনিয়োগ কৰে।

# যুৱ-সবলীকৰণ আৰু চৰকাৰী আঁচনিসমূহ

যুৱপ্ৰজন্ম এটাক জীৱনৰ দায়িত্বসমূহ সুচাৰুৰূপে পালনৰ বাবে উৎসাহিত কৰি তোলা প্ৰক্ৰিয়াটোৱেই হ'ল যুৱ-সবলীকৰণ। যুৱসবলীকৰণৰ জৰিয়তে যুৱক-যুৱতীসকলে আত্মবিশ্বাস, মূল্যবোধ আৰু ইতিবাচক মনোভাৱেৰে জীৱনৰ যিকোনো পৰিস্থিতি দৃঢ়ভাৱে সন্মুখীন হ'বলৈ চেতনা জাগ্ৰত কৰে। এখন সমাজৰ ভৱিষ্যত বৰ্তমানৰ যুৱপ্ৰজন্মৰ কাৰ্যদক্ষতাৰ ওপৰত নিৰ্ভৰশীল হয়। যুৱ-সবলীকৰণ মানসিক, সাম্প্ৰদায়িক, সাংগঠনিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশৰ হ'ব পাৰে।

যুৱ-সবলীকৰণত আৰ্থিকভাৱে আত্মনিৰ্ভৰশীলতাৰ বাবে বৃত্তি সংস্থাপনৰ প্ৰয়োজনীয়তা আহি পৰে। কিন্তু ভাৰতৰ দৰে বিশাল যুৱপ্ৰজন্ম থকা দেশ এখনত সংস্থাপন পোৱাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হয়। এইক্ষেত্ৰত দেশ এখনৰ চৰকাৰৰ আঁচনিৰ ভূমিকা অপৰিহাৰ্য। যুৱ সবলীকৰণৰ বাবে কেৱল চৰকাৰী চাকৰিৰ ওপৰতে নিৰ্ভৰ নকৰি আত্মনিৰ্ভৰশীল হ'বলৈ চৰকাৰৰ তৰফৰ পৰা বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা দেখা গৈছে। তলত তেনেকুৱা কেইখনমান আঁচনি সম্পৰ্কে উল্লেখ কৰা হ'ল –

১) <u>প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা</u>:– ২০১৫ চনৰ ১৫ জুলাই তাৰিখে Skill India Mission ৰ এই যোজনা আৰম্ভ কৰিছিল।

Scanned with CamScanner

যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ অভিপ্ৰায়ে ২০২২ চনৰ ভিতৰত 40 কোটি যুৱ সমাজৰ লোকক স্বল্পকালীন প্ৰশিক্ষণ প্ৰদান কৰি যুৱ সবলীকৰণৰ কৰিবলৈ এই যোজনাৰ শুভাৰম্ভ কৰা হয়। প্ৰত্যেকখন জিলাতে 'প্ৰধানমন্ত্ৰী কৌশল কেন্দ্ৰ' স্থাপন কৰা হৈছে। ২০১৫-১৬ বৰ্ষত ১৯.৮৫ লাখ লোকক এই যোজনাৰ জৰিয়তে প্ৰশিক্ষিত কৰা হৈছে।

২) Startup India — উদ্ভাৱন আৰু উদ্যোগীকৰণৰ পৰিৱেশ সৃষ্টিৰ অৰ্থে যুৱ উদ্ভাৱনকাৰী আৰু উদ্যোগী গঢ় দিয়াৰ লক্ষ্যৰে ২০১৬ ৰ ১৬ জানুৱাৰীত 'Startup India' শুভাৰম্ভ কৰা হয়। ৭ বছৰীয়া 'Startup' আৰু অন্যান্য কৰৰ ক্ষেত্ৰত প্ৰথম তিনিবছৰৰ কৰ ৰেহাই দিয়া হয়।

৩) স্বামী বিবেকানন্দ অসম যুৱ-সবলীকৰণ আঁচনি — অসম চৰকাৰৰ দ্বাৰা ২০১৭ চনত এই আঁচনিৰ শুভাৰম্ভ কৰা হয়। অসমৰ যুৱক-যুৱতীসকলক উৎপাদন, ব্যৱসায় আৰু সেৱাখণ্ডত অৰ্থ অৰ্জনৰ অৰ্থে কাম কৰিবলৈ আৰ্থিক সাহায্য এই আঁচনিৰ জৰিয়তে প্ৰদান কৰা হয়। ইয়াৰ লক্ষ্য হ'ল ২ লাখ যুৱক-যুৱতীক ৫০,০০০ টকাকৈ প্ৰত্যেককে ঋণ প্ৰদান কৰা। ২০২০ চনত এই আঁচনি অসম ৰাজ্যিক বিত্ত বিভাগৰ অধীনলৈ আহে।

৪) প্ৰধানমন্ত্ৰী মুদ্ৰা যোজনা — এই যোজনাৰ অধীনত উদ্যোগীসকলক সকাহ প্ৰদান কৰিবলৈ কোনো বন্ধকী বিহীনভাৱে ঋণ প্ৰদান কৰা হৈছে। ২০১৫ চনৰ এপ্ৰিলৰ পৰা বৰ্তমানলৈকে ১৩ কোটি লোকে ৬.৫ লাখ কোটি ঋণ লাভ কৰিছে। ২০১৮ চনৰ বাজেটত ৩ লাখ

Scanned with CamScanner

কোটি আৱণ্টন কৰা হৈছে।

(গ) প্ৰধানমন্ত্ৰী নিয়োগ নিশ্চিতকৰণ আঁচনি (PMEGP) — ২০০৮ চনত আৰম্ভ হোৱা ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ৰ দ্বাৰা পৰিচালিত এই আঁচনিৰ জৰিয়তে গ্ৰাম্য আৰু চহৰ অঞ্চলৰ অকৃষিগত খণ্ডত ক্ষুদ্ৰ উদ্যোগস্থাপনৰ বাবে ঋণসংযুক্ত ৰাজসাহায্য প্ৰদান কৰা হয়। ২০২১-২২ চনৰ পৰা ২০২৫-২৬ চনলৈকে এই আঁচনিখন অব্যাহত ৰখাৰ বাবে ১৫ সংখ্যক বিত্ত আয়োগৰ দ্বাৰা অনুমোদন কৰা হৈছে যাতে প্ৰতিটো গোটত ৪ জন ব্যক্তিৰ নিয়োগৰ হিচাপে ৩০,০০,০০০ জন নিয়োগ সৃষ্টি কৰি ৪০,০০০ প্ৰকল্প স্থাপন কৰিব পৰা যাব।

চৰকাৰৰ এনেধৰণৰ যুৱ-সবলীকৰণৰ অনুপ্ৰেৰণা যোগাব পৰা আঁচনিৰ জৰিয়তে যুৱক-যুৱতীসকলৰ আত্ম সংস্থাপন পোৱাত সহায়ক হ'ব।

শ্ৰীমতী বিস্মিতা শাণ্ডিল্য
প্ৰথম ষাণ্মাসিক।

# "যুৱ সবলীকৰণৰ বাবে ল'বলগীয়া পদক্ষেপ"

যুৱ সবলীকৰণ হৈছে এনে এক প্ৰক্ৰিয়া য'ত শিশু আৰু যুৱক-যুৱতীসকলক তেওঁলোকৰ জীৱনৰ দায়িত্ব ল'বলৈ উৎসাহিত কৰা হয়। এখন দেশৰ উন্নয়নৰ বাবে যুৱ সবলীকৰণ প্ৰয়োজনীয়। ভাৰতবৰ্ষই যুৱ সবলীকৰণৰ বাবে গুৰুত্ব দিবলগীয়া দিশসমূহ হৈছে —

১। দক্ষতা বিকাশ : NASSCOM ৰ মতে ভাৰতৰ ৮০% স্নাতক নিবনুৱা। এই বিষয়টোত গুৰুত্ব সহকাৰে ল'ব লাগিব কাৰণ আমাৰ যুৱ জনসংখ্যা, সৰ্বাধিক আৰু যদি ই যথেষ্ট দক্ষ নহয় তেন্তে ই সম্পদৰ পৰিৱৰ্তে আমাৰ ওপৰত বোজা হ'ব পাৰিব। যদিহে আমি কিছুমান দক্ষতা আহৰণ কৰিব পাৰো তেন্তে আমি গোটেই জীৱনত ইয়াক কটিয়াই লৈ ফুৰো। ব্যক্তিগত কৰ্মচাৰী হোৱাৰ উপৰিও যদিহে কোনোবা সৃষ্টিশীল, কৌতুহলী মনৰ হয় তেন্তে তেওঁ বিভিন্ন ক্ষেত্ৰ যেনে মডেলিং, ফেশ্বন ডিজাইনিং আদিৰ দক্ষতা আহৰণ কৰি বৃত্তি হিচাপে ল'ব পাৰে। বৰ্তমান ভাৰতত কৰ্মচাৰীৰ পৰিৱৰ্তে নিয়োগ সৃষ্টিকাৰীৰ প্ৰয়োজন। ভাৰত চৰকাৰে Skill India পদক্ষেপ গ্ৰহণ কৰিছে যদিও ইয়াক সফল হৈছে বুলি ক'ব নোৱাৰি।

২। অধিক চৰকাৰী চাকৰিৰ সৃষ্টি কৰা : বিভিন্ন প্ৰতিবেদন অনুসৰি ২০ লাখৰো অধিক কেন্দ্ৰীয় আৰু ৰাজ্যিক পদ খালী হৈ আছে। চৰকাৰে এই খালী পদসমূহ পূৰণ

কৰি বিশাল নিবনুৱা সমস্যাৰ সমাধান কৰা উচিত কিয়নো সুস্থিৰ চাকৰিটোৱে ব্যক্তি হিচাপে সঁচাকৈয়ে শক্তিশালী কৰে। কিন্তু চৰকাৰী চাকৰি প্ৰয়োজন অনুসৰি সৃষ্টি কৰা উচিত।

৩/ ষ্টাৰ্ট আপ : বৰ্তমান ভাৰতীয় বজাৰখন ষ্টাৰ্ট আপৰ বাবে সৰ্বোত্তম আৰু এতিয়ালৈকে চৰকাৰে এই ক্ষেত্ৰত বিশেষ পদক্ষেপ লৈছে। বিশেষকৈ অসমৰ মহিলাসকলক চৰকাৰীভাৱে আত্মসহায়ক গোটৰ দ্বাৰা মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে লোণ প্ৰদান কৰি তেওঁলোকক ব্যৱসায় কৰিবলৈ উদগনি দিছে। ষ্টাৰ্ট আপ ইতিমধ্যে অনুপ্ৰাণিত হৈছে, দক্ষতা বিকাশৰ অংশ লোৱাৰ পিছত ষ্টাৰ্ট আপ স্বাভাৱিকতে বৃদ্ধি পাব।

ধুনটি বৰা
প্ৰথম ষাণ্মাসিক

Scanned with CamScanner




Scanned with CamScanner



# ফাগুন তুমি মোৰ প্ৰিয়তম

ফাগুনৰ পচোৱা বতাহজাক
মোৰ বৰ প্ৰিয়
আৰু ফাগুনৰ উমাহ বতাহজাকে
লঠঙা কৰি যোৱা গছৰ ডালত
ওলোৱা কুঁহিপাতবোৰো
মোৰ বৰ প্ৰিয়।

আৰু তাতোকৈ প্ৰিয়
লঠঙা ডালত ফুলা
পলাশ, শিমলু, মদাৰৰ
জকমকীয়া ফুলবোৰ
ঠিক যেন কলিজাৰ কেঁচা তেজৰ ৰং

ফাগুন আনে যেন ৰঙৰ সমাহাৰ
ফাগুন আনে যেন এটি ঋতু
ফাগুন আনে যেন এটি গীত
ফাগুন আনে যেন এটি কবিতা
ফাগুন আনে যেন আশাৰ ৰেঙনি
আৰু কত যে কি......

বন্দিতা লৈৰাং



# যাত্ৰা

আকৌ

মোৰ যাত্ৰা সপোনৰ জখলাৰে
ঢৌখেলি আগুৱাই যাওঁ
নতুন দিগন্তৰ দিশে।
অন্ধকাৰ নাশি
জ্যোতিষ্কাৰ কৰো
জড়তা লগা কুটিল জীৱন
বুকুত বান্ধি লওঁ নিৰ্ভিকতা
ৰামধেনুৰ ৰং সিঁচি
আগুৱাই যাওঁ;
জ্ঞানৰ উৰ্দ্ধমুখী যাত্ৰাৰ পথে
জীপাল কৰোঁ
বিমূৰ্তক মূৰ্তমান,
এই ধাৰা হওঁক
চিৰ প্ৰবাহমান

নিহা লইং
প্ৰথম ষাণ্মাসিক
ৰোল নং:- ৪৮

Scanned with CamScanner



## ফাগুন

অ' মোৰ ৰঙা উজলা ফাগুন
উলাহবোৰো নতুন,
সু-বিশাল আকাশৰ পাতল নীলাবোৰ
আৰু উজলা যৌৱনত ভৰি দিয়া
শীতল বতাহজাকে উৰুনি নাথনি কৰে।

প্ৰেমৰ চকনেমালোৱে লুপাউৰ
উষ্ম আদৰণি মেলা পাতে,
শিমলু পাহুজোপাৰ তলত বহি
অপোনবোৰ যে আকৌ নতুন হ'ল
লুপাউৰ বজত বন্ধুৰ সৈতে
জগ কৰা হ'ল ॥

Junali Bori



## আলি- আই- লৃগাং

ফাগুনৰ আগমনত পলাশ-শিমলু ফুলিল,
বনৰ বিটপী হ'ল ব্যাকুল।
উন্মুক্ত নীলা আকাশৰ তলত,
তৰু - লতাৰ পাত-ফুলৰ আঁৰে - আঁৰে
আলি আই লৃগাং আহিল।
দূঞ্জি - প'লক সাক্ষী কৰি
মিবু- গালোক, ৰিবি গাচেং, তিবুক পিন্ধি লৈ,
গুমৰাগ ছেন্নৰ তালে-তালে
আমি যে উন্মনা হৈ পৰিলোঁ।
মোৰ দেহৰ কোঁহে - কোঁহে
ফুলিব ধৰা ফুলৰ কলি কেইটাই পাহি মেলক
মোৰ দেহৰ শিৰাই- উপশিৰাই
বৈ থকা এনিতমৰ সুৰটি
সুমধুৰ হৈ পৰক।

Scanned with CamScanner

এনেকৈয়ে ফাগুন আহক
প্ৰকৃতিৰ সুন্দৰ আৱৰণ লৈ,
ফাগুন আহক প্ৰাণৰ আপোন
আলি আই- লৃগাংটিক লৈ

বিজিত কুমাৰ দলে
প্ৰথম ষান্মাসিক

Scanned with CamScanner

# চঞ্চলা ফাগুন

ফাগুন তুমি উতলা চঞ্চলা
মাদকতা ভৰা এক
বিষাদৰ অনুৰূপ।
তোমাৰ পৰশতে সলনি হয় পৃথিৱীৰ লাৱণ্য
শিমলু ৰঙা ফুলে পাহি দিয়ে
দুৰন্ত্বিৰ দলিচা।

পছোৱা বতাহজাকে লৈ যায়
বিষাদে ভৰা শুকান লঠঙা পাতবোৰ
নৈকে পোখা মেলা পাতবোৰে
বসন্তৰ আগজাননী দিয়ে

ফাগুনৰ পছোৱাই মন মোৰ আমুৱাই
বৰদৈচিলা মাতি আনে।
ঐনিতমৰ বাগিত মতলীয়া হয়।
মিচিং কৌৰা কন্যে।

এয়া জানো নহয়,
প্ৰকৃতিৰ অপৰূপা সৃষ্টি।

→ কৰম ছিং ওৰাং
প্ৰথম যান্মাষিক



# অভিশপ্ত

বিক্ত হৃদয়খনে আমনি কৰিছে
অশ্ৰুজুৰিৰ কালিৱাই,
দেহত আনি থৈ যোৱা
বিদীৰ্ণ নিশাবোৰেও,
কোনে বাৰু চকুলোৰে
অতীতক ভুঁৱৰে ?
মন, মগজু আৰু বিবেকৰ
যুদ্ধত,
বিশ্বাসী হোৱা দেহবোৰে
বিচাৰি সুখে,
আপোনৰ লগত অকণ বাস্তৱৰ
অসম্পৰ্ক ।
নিৰাশা আৰু আশাৰ
অভিশপ্ত অপেক্ষাই
ব্যাখ্যাবাদী জীৱনবোৰক
পাৰিবনে বাৰু ঢালি দিব
অযুত প্ৰশ্নৰ
বাস্তৱিক উত্তৰ ?

গাৰ্গী শইকীয়া

# ফাগুনৰ ৰং

কৃষ্ণাংগিনী কাশ্যপ
প্ৰথম ষাণ্মাসিক

ফাগুন মানেই নতুনৰ আগমন
জীৱনৰ আলিংগনৰ এক চিক্কনী
প্ৰকৃতিৰ পৰিৱৰ্তনে শীতৰ দখল ছিন্ন ভিন্ন কৰে
প্ৰাণচঞ্চলা বতাহত ৰঙা শিমলু উৰি
আৰে বেৰে আঁকে ফাগুনৰ প্ৰহেলিকা ।

হৰিৎ আজয়োৰ সোলোকাই থৈ
গছবোৰে গা ৰদাই
এক শুকান ঋতুৰ দুৰ্মদ বতাহজাকে
গছবোৰক শুহিবলৈ ধৰে
অতি কাতৰভাৱে আকাশলৈ মূৰ তুলি
একেটা কথাকে কৈ যায়
'মোৰ গাটো পানীৰে তিয়াই দে'
এয়াই ফাগুন ।

পথাৰসমূহ ভৰিত এতিয়া ফাগুনৰ ধূলি
দুপৰৰ মৃদু বতাহত বৰদৈচিলা
মাকৰ ঘৰলৈ যোৱাৰ প্ৰস্তুতি
ফাগুন মানেই বসন্তৰ আগজাননী
ধূলিময় বাটৰ ওঁঠত ফাটি অহা
উদাসীনতাৰ এমুঠি আকাশ সেউজ-সোণোৱালী ।

ফাগুন মানেই প্ৰকৃতিৰ প্ৰতাৰণা
আশা, নৱীকৰণ আৰু অন্তহীন আনন্দ,
প্ৰকৃতিৰ চহৰত ফাগুন মানেই নতুন ঋতু ॥



# মনৰ ৰঙীন বেদনা

সেই সময়.....
যত আছিল সীমাহীন মৰম
আছেনে বাৰু লুকাই
আজিও তোমাৰ হৃদয়ত ?
সেই সময়......
যত আছিল অন্তৰৰ বিশ্বাস
আজিও আছেনে বাৰু
সোধাচোন নিজক ?
সেইদিনা তুমি কৈছিলা কি জানা ?
ওৰেতো জীৱন থাকিম তোমাৰ অপেক্ষাত
আজিও বাৰু ভাবানে তেনেকৈ
নিজকে এবাৰ কৰা প্ৰশ্ন ।
নাজানো মোৰ ভুল হৈছে নেকি ?
মই কিয় সন্মুখীন হৈছোঁ প্ৰশ্নৰ
আজি তুমি দিব লাগিব এই সকলো উত্তৰ ।
মনে বিচাৰে মাথো তোমাক
থাকিম মই সদায় তোমাৰেই অপেক্ষাত ।

ভাগ্যশ্ৰী শইকীয়া
প্ৰথম ষাণ্মাসিক
ৰোল নং:- ০৬

# অ' মোৰ নতুন পুৰুষ



ন'তুন পুৰুষৰ, কেঁচা মাটি পৰশ হয়
অপৰিচিত, অসহ্যকৰ, অস্বাস্থ্যকৰ
দেহৰ ঘাম দেহতে শুকাই
নিজকে কুহিনা সাজে,
ডেকামনৰ অঘোষিত সপোনবোৰ
সু-সুপ্তিৰ পৰত
বেদনাই মন অস্থিৰ কৰে
অনিয়ন্ত্ৰিত চেতনাই....
ৰৈ যোৱা মলসুৰে বৰণী সেউজ কৰে
দেউতাৰ ঢল পৰা মাটিডৰাত
আশাৰ কঠিয়া গোজে
অ' মোৰ নতুন সুৰুষ
শিক্ষিত প্ৰজন্ম হোৱা
স্বাভিমান ভূমি অসমীয়াৰ
ধৰাৰ অমিয়া প্ৰাণ ।

মনিষা কাকতি
প্ৰথম ষান্মাসিক
ৰোল নং:— ৪৪

Scanned with CamScanner

# Youth's Odyssey

In hallowed halls where antiquity's talls endure, and battle-scared fields bear history's demure, emerging youth grace spheres profound, To innovation's their hearts are bound.



Their minds, axia to circuits, surge with force, forging digital paths on innovations course, In verse and algorithm, their anthem sings, reshaping realms on mighty, soaring wings.

No longer fettered by earthly tether, They unfurl empires in realms beyond measure From sprawling panaromas, vast and grand To AI bosoms, extending a compassionate hand.

They bridge the chasm, rich and poor, empowering knowledge at each door.
cloud-woven classrooms, lofty and bold, and caring automatans, their circuit enfold.

So, lets raise a toast, with reverence and acclaim, To these youthful minds, who rise above the game.

For they hold the tapestry, brilliantly untold, Trailblazers of stories yet to unfold.

Bhaskar Jyoti Borah

Scanned with CamScanner




Scanned with CamScanner

অংকিতা শইকীয়া
প্ৰথম ষাণ্মাসিক

# সৰলীকৰণৰ বাবে চাকৰিয়েই মূল উদ্দেশ্য নহয়

অনন্ত আৰু নিশান্ত দুয়োজন ভাল বন্ধু। দুয়োজন ডিগ্ৰীধাৰী যুৱক। দুয়োজনে চাকৰিৰ বাবে প্ৰস্তুতি চলাই আছে। চাকৰিৰ বিজ্ঞাপন ওলাই, প্ৰতিবাৰেই দুয়োজনে আবেদন কৰে কিন্তু দুয়ো সফল হ'ব নোৱাৰে। এক্ষেত্ৰে সময়, বছৰ সলনি হৈ গৈ আছে কিন্তু তেওঁলোক দুয়োজনে কোনো ধৰণৰ সংস্থাপন লাভ কৰা নাই। ২০২৪ বৰ্ষ [illegible] আকৌ চাকৰিৰ বাবে বিজ্ঞাপন ওলাইছিল, দুয়োজনে আগৰ দৰেই আবেদন কৰিলে কিন্তু এইবাৰ দুয়োজনৰ ভিতৰত নিশান্তৰ কপাল খুলিল অৰ্থাৎ সি উত্তীৰ্ণ হ'ল আৰু কৰ্মসংস্থাপন লাভ কৰিলে। অনন্ত এইবাৰো উত্তীৰ্ণ হ'বলৈ সক্ষম নহ'ল। নিশান্তই চাকৰিত যোগদান কৰাৰ পিছত অনন্ত একেবাৰেই অকলশৰীয়া হৈ পৰিল। এদিন অনন্তই ৰাতিপুৱা ৰাস্তাৰেদি খোজকাঢ়ি গৈ থাকোঁতে দেখিলে যে এজন বৃদ্ধই পাচলি বিক্ৰী কৰি আছে। সি বৃদ্ধজনক শাক-পাচলিৰ ব্যৱসায়ৰ লগতে লাভ-লোকচানৰ কথা সুধিলে। সি মনত এটা সিদ্ধান্ত গ্ৰহণ কৰিলে যে অনন্তই এইবাৰ চাকৰিৰ আবেদনৰ সলনি দেউতাকৰ লগত শাক-পাচলিৰ খেতি কৰি সেই শাক-পাচলি সমূহ বজাৰত বিক্ৰী কৰি এটা ব্যৱসায়

আৰম্ভ কৰিব।

সামন্ত বাগৰি গ'ল তাৰ পাচলি ব্যৱসায় আগবাঢ়ি গ'ল। সামন্তৰ লগত অনন্তৰ ব্যৱসায়ৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিল। সিহঁতৰ গাঁওখনত এখন কলেজৰ লগতে বহুতো বিভিন্ন প্ৰতিষ্ঠান আছে কিন্তু সেইসমূহৰ ওচৰে-পাজৰে কোনো ধৰণৰ বজাৰ বা দোকান নাছিল। সি ভাবিলে যে সি সৰুকৈ এখন ৰেষ্টুৰেণ্ট/ হোটেল খুলিব আৰু লগতে পাচলিৰ দোকানো দিব। সি স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা হোৱাকৈ এখন হোটেল দিলে লগতে এখন পাচলিৰ দোকানো দিলে। কলেজখনৰ ওচৰত কোনোধৰণৰ হোটেল নথকাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলেও তাৰ হোটেলতে খোৱা-বোৱা কৰে লগতে তাৰ দোকানৰ পৰা শাক-পাচলিও ক্ৰয় কৰি লৈ যায়। হোটেল আৰু শাক-পাচলিৰ দোকানৰ পৰা তাৰ এটা ভাল উপাৰ্জন হ'ল।

অনন্তৰ হোটেলৰ লগতে পাচলিৰ ব্যৱসায়টো উন্নত হৈ গ'ল আৰু সি আৰ্থিকভাৱে লাভৰ ফালে আগবাঢ়ি গ'ল। সি তাৰ শাক-পাচলিৰ দোকান আৰু হোটেলখন আগতকৈও ডাঙৰ কৰিলে। সি অনুভৱ কৰিলে যে সি ইমান বছৰে চাকৰিৰ পিছত ঘূৰি নাথাকি যদি ব্যৱসায় আৰম্ভ কৰিলে হয় তেতিয়া আৰু আগবাঢ়ি যাব পাৰিলোহেঁতেন। অনন্তই এতিয়া এটা চাকৰিৰ তুলনাত বেছি উপাৰ্জন কৰে। অনন্তই সিহঁতৰ গাঁৱৰ যুৱক-যুৱতী

সকলোক তাৰ হোটেলতে কামৰ জীৱনতে কৰ্মসংস্থাপন দিলে আৰু কৰ্মসংস্থাপনৰ বিভিন্ন দিহা পৰামৰ্শ দিলে। তেওঁ অনুভৱ কৰিলে যে সবলীকৰণৰ বাবে আচলতে কেৱল এটা চাকৰিয়েই উদ্দেশ্য বা লক্ষ্য নহয়। এটা ভাল ব্যৱসায়ৰ জীৱনতেও নিজকে সবলীকৰণৰ দিশে আগবঢ়াই নিব পাৰি। বৰ্তমান অনন্ত গাঁওখনৰ জতাল আদৰ্শ যুৱক।

অনন্তই গাঁওখনৰ বহুতো লোকক ব্যৱসায়ৰ জীৱনতে সংস্থাপন দিলে আৰু যুৱক-যুৱতীসকলক সবলীকৰণৰ দিশে আগবঢ়াই নিয়াত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰি আহিছে।

→ ধন্যবাদ

অনুগল্প:- কৰ্ম

বাচ আস্থানটোত মানুহে ভিৰ হৈ আছিল। পল্লৱীয়ে বাচ বহিৰৰ কাৰণে ৰৈ থাকোঁতে কেইদিনমানৰ আগতে তাই সহায় কৰা মহিলা এগৰাকীয়ে পুনৰ সহায় বিচাৰি থাকোঁতে আন এগৰাকীও সহায়ৰ বাবে হাত এখন পাতিলে। বিৰক্ত হৈ পল্লৱীয়ে আগলৈ চালে। এখন হাতত চানাৰ পেকেটকেইটামান লৈ সৰু ল'ৰা এটাই চুঁচৰি চুঁচৰি আহি আছিল। পল্লৱীয়ে ল'ৰাটোলৈ চালে, এটা মিঠা হাঁহি আৰু সবল দুচকুত যেন ফুলি উঠিছে এপাহ পদুম। বিশেষভাৱে সক্ষম সেই ল'ৰাটো পল্লৱীৰ পৃথিৱীৰ সকলোতকৈ কৰ্মঠ আৰু সবল মানুহ যেন লাগিল। তাই বেগটোত হাতখন ভৰাই ল'ৰাটোলৈ চাই এটা মিচিকিয়া হাঁহি মাৰিলে।

আশামণি লহং,
প্ৰথম ষাণ্মাসিক

Scanned with CamScanner

# আশাই মানুহক নতুনকৈ জীয়াই তোলে

→ লিজা শইকীয়া



ডিগ্ৰী পৰীক্ষা সামৰি স্মৰণে চাকৰি প্ৰাপ্তিৰ আশাত দেউতাকৰ মাটি কেইডৰা বিক্ৰী কৰি টকাকেইটা দালালৰ হাতত তুলি দিলে। ঘৰলৈ উভতোৰ বাটত সি ভাবিলে চাকৰিটো পালে [illegible] ওপৰত থকা সকলো বোজাৰ অন্ত পৰিব। কিন্তু অশেষ চেষ্টাৰ পাছতো চাকৰিটো নাপাই তাৰ মূৰৰ ওপৰত সৰগখন খহি পৰা যেন লাগিল। জীৱনৰ প্ৰতি থকা সকলো মোহ এৰি তি[illegible] নিজকে শেষ কৰিবৰ বাবে ঘৰৰ বাহিৰলৈ ওলাই গ'ল। ওলাই যাওঁতে সি কেইটামান লৰাই নতুনকৈ আৰম্ভ কৰা ফাৰ্ম এখন দেখিলে আৰু ফাৰ্মখন দেখাৰ লগে লগে তাৰ মুখত এটা হাঁহি বিৰিঙি উঠিছিল।

## The girl, who spoke in Starlight

Jaya, a young girl with glaring eyes that held galaxies, hoarded forgotten languages. Her room overflowed with whispers lost cultures, a rebellion against the sterile dance of uniformity. Each word, a defiance, unlocked a portal to a bygone era, a forgotten culture. When authorities stormed in, they weren't met with fists, but a chorus of children voices, each chanting in different forgotten languages tongue. The cacophony, beautiful and defiant, echoed through the halls. Jaya, the girl who collected lost languages, had ignited a revolution. The forgotten words became their shield, their voices and their future.



— Bhaskar Jyoti Borah.

# সপোনৰ শেষত



সেই আমনিৰ কথা। আচলতে জীৱনৰ লগত সি চিনাকী হোৱাই নাছিল। নহ'বৰে কথা। কিয়নো সি কেৱল চিনিছে দিনত মানুহবোৰৰ ঘামৰ ৰদত কৰা হাড় ভঙা পৰিশ্ৰম আৰু ৰাতি সুৰাৰ ৰাগীত মাতলীয়া হৈ গুণগুণাই যোৱা গীত চিনাকী গানৰ "দিনৰ পোহৰৰ ৰং চপীয়া জল মানুহৰ ঘাম, ৰাতিৰ আন্ধাৰ গমগমীয়া চোৰ মাতালৰ ৰং"। শিক্ষাৰ জ্যোতিৰে যেন এতিয়াও আলোকিত কৰিব পৰা নাই নীৰেনহঁতৰ গাওঁখন। জন্মৰ পাছৰ পৰাই এই পৰিৱেশ দেখিয়ে ডাঙৰ হৈছে সি। কাম কৰি খাই বৈ জীয়াই থকাৰ বাহিৰে যেন কেতিয়াও জীৱনক লৈ সপোন ৰচাৰ কথা ভাৱিবই নোৱাৰে।

নীৰেনৰ লগৰ সমনীয়া সকলোৱে বিদ্যালয় এৰিলে। সি যদিও বিদ্যালয় যায় তথাপি কেতিয়াও তাত মন বহুৱাব পৰা নাছিল। নিজকে সি সদায় অকলশৰীয়া কৰি ৰাখিছিল। এই কথা কিন্তু সিহঁতৰ হেড ছাৰে লক্ষ্য কৰি আছিল। আজি কেইবাদিন ধৰি, নীৰেনৰ বিদ্যালয় অহা পলম হৈছে। সদায় দেৰিকৈ বিদ্যালয়ত প্ৰৱেশ কৰাৰ বাবে আজি হেড ছাৰে তাক অফিচলৈ মাতি নি কাৰণ সোধাৰ লগতে মাৰ-ধৰো কৰিলে।



নীৰেনৰ দেউতাকৰ আৰ্জনেৰে সিহঁতৰ মৌলিক প্ৰয়োজনসমূহ পূৰাবলৈ অপাৰগ। যেয়ে সি ৰাতিপুৱাই ৰাতিৰ-কমকত বিলোৱা কামটো কৰিবলৈ লৈছে যাৰ বাবে সময় তাৰ স্কুললৈ যোৱা পলম হয়। তাৰ কথা শুনি হেড ছাৰে তেওঁ কৰা ব্যৱহাৰৰ বাবে অনুতপ্ত হ'ল।

লাহে লাহে নীৰেন পৰিৱৰ্তন হ'ল। সি ৰাতিৰ সমূহ বিলোৱাৰ লগতে পঢ়িবলৈও ধৰিলে। বিভিন্ন গ্ৰন্থ, আলোচনীসমূহ সংগ্ৰহ কৰি পঢ়াৰ বাবে সি আগ্ৰহী হৈ পৰিল। ইয়াৰ মাজতে সি নিজক চিনি পাবলৈ ধৰিলে আৰু তাৰ মনত এটা সপোনে গাঁজালি মেলিবলৈ ধৰিলে। হয়তো নিজকে প্ৰতিষ্ঠিত কৰি তোলাৰ সপোন।

সময় বাগৰি নীৰেনে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হ'ল। কোনোদিন পঢ়াৰ হেঁপাহ নথকা লৰাটোৱে আজি প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। নীৰেনৰ সফলতাই ঘৰখনৰ লগতে গাওঁখনলৈও বহু পৰিৱৰ্তন কৰিয়াই আনিলে।

আজি নীৰেন সমাজৰ এজন আদৰ্শৱান ব্যক্তি। উচ্চ শিক্ষাৰে শিক্ষিত হৈ চাকৰিমুখী হোৱাতকৈ এজন ভাল মানুহ হোৱাটোতহে নীৰেনে

Scanned with CamScanner

সদায় চেষ্টা কৰি আহিছে। নীৰেনৰ প্ৰচেষ্টাতে গাওঁখনৰ অন্যান্য ল'ৰা- ছোৱালীবোৰেও স্বাৱলম্বী হোৱাৰ সপোনৰ দিশে আগবাঢ়ি গৈছে। নিৰ্ভয়, একাগ্ৰতা, সংগ্ৰামেৰে এজন প্ৰতিষ্ঠিত ব্যৱসায়ী হিচাপে নীৰেন সমাজৰ আদৰ্শ হৈ ৰ'ল।

~বিপ্লৱ শইকীয়া

## ~ফকৰা - যোজনা~

→ কপালৰ ঘাম মাটিত পেলোৱা -
- অধিক পৰিশ্ৰম কৰা

→ চুলিৰ আগেদি জীৱ যোৱা -
- খুব ভয় খোৱা

→ জুয়ে পোৰা সোণ -
- বেয়া নিয়ম শুধৰি নিকা হোৱা

→ ঢোৰা সাপৰ ফোঁচফোঁচনিয়েই সাৰ -
- অসমৰ্থ জনৰ মিছা দপদপনি

★ অৰুণজ্যোতি দলে
প্ৰথম ষান্মাসিক



# চাৰকৈনেয়া

→ বিচিত্ৰা শইকীয়া
প্ৰথম ষাণ্মাসিক

ঘোপ মৰা আন্ধাৰ, আকাশখনৰ তলত এতিয়া সি আৰু নদীৰ মাজত টিপ চাকিৰ দৰে হালি জালি থকা সৌ নাওখনৰ ওপৰত কাঁচি জোনটো... চাৰিওফালে নিৰ্জনতাৰ মাজতে ফৰিং কেইজনীৰ চিঁচিয়নিত তাৰ কলিজাখন কঁপি পৰে। নাওখন আৰু বঠা ডালকলৈয়ে 'পোৱাল'ৰ জীৱনৰ আশা-ভৰসা। নাওখনত আশাবোৰ উলমি আছে, নাওখন নহ'লে জীৱন শূন্য।

আজি আবেলি সিটো পাৰে দুখন মান JCB আৰু কেইখনমান ডাঙৰ ডাম্পাৰ আহি বাহৰ পাতিছে। কিয় আহিছে সি নাজানে। দীঘলীয়া হুমুনিয়াহ এটা পেলাই সি বিষাদৰ পোচাক যোৰ গোলোকাই নুৰিয়াই লৈ জুহৰিটোৰ ফালে আগুৱাই গ'ল।

# নীলা খামৰ
# চিঠি




Scanned with CamScanner

# নীলা খামৰ চিঠি

মৰমৰ অনুভৱ,

বহু দিনৰ মূৰত তোমালৈ লিখোঁ বুলি বহিছোঁ। মনত নেপেলাও বুলি ভাবিলেও চোন ফাগুনৰ বলিয়া পাহোৱাজাকে তোমাৰ স্মৃতিবোৰক বাৰে বাৰে মোৰ হৃদয়ৰ প্ৰেক্ষাপটত আঁচি থৈ যায়, সেয়ে তোমালৈ নিলিখাকৈ থাকিব নোৱাৰিলোঁ। বাৰু যি কি নহওঁক, তুমি ভালে আছানে? মোৰ ভাল আৰু আজি হয়তো অলপ বেছিকৈয়ে ভাল বুলি ক'ব পৰা হৈ আছোঁ, কিয় জানা! প্ৰায় এটা বছৰৰ মূৰত আজি মই এপাহ শিমলু ফুল তুলি লৈ তোমাৰ কথা ধিয়াইছোঁ। ফাগুন তোমাৰ প্ৰিয় বুলি কৈছিলা নহয়। তুমি বাৰু আজিও ফাগুনৰ প্ৰেমত পৰানে? তুমি ভাল পাইছিলা ফাগুনৰ শুকান বতাহজাকে আউল লগাই যোৱা মোৰ চুলিৰ আউল ভাঙি, ভাল পাইছিলা শিমলু গছৰ তলত বহি ৰঙা-ৰংবোৰক দুহাতে বুটলি। বাৰু নোসোধোঁ, এতিয়াও ভালপাব পাৰিবানে বুলি। কাৰণ মই জানো, এতিয়া যে আমাৰ পৃথিৱীখন আগতকৈ বহু বেলেগ। তুমি ব্যস্ত তোমাৰ সংসাৰত আৰু ময়ো...... । তথাপিও ক'ৰবাত যেন আজিও মোৰ পৃথিৱীত হৃদয়ে তোমাক বিচাৰি হাহাকাৰ কৰে। তুমি জানা! মোৰ পৃথিৱীৰ ৰাতিবোৰ জোনাক-ময় নহয়। কিন্তু, মই টানি-আজুৰি জোনবাইটোক মোৰ আকাশত ওলোমাই থওঁ। তুমি বাৰু তোমাৰ অলপমান জোনাক মোক ধাৰলৈ দিব পাৰিবানে!

ধেৎ! কি যে কথাবোৰ কৈ মই তোমাক আমনি কৰিছোঁ। আচল কথাটো শুনা, নৈ কাষৰ শিমলুজোপা আজি বতাহত ভাগি পৰিল। য'ত আমি একেলগে বহি সূৰ্যাস্ত উপভোগ কৰিছিলোঁ। ভৱিষ্যতৰ সপোন ৰচিছিলোঁ। মনে লাগিছিল যেন গছজোপাৰ লগত মই তোমাকো হেৰুৱাই পেলালোঁ। সেয়ে আমাৰ ভালপোৱাৰ চিন হিচাপে কেইপাহমান শিমলু আঁচলেৰে মেৰিয়াই আনিলোঁ।

Scanned with CamScanner

নাজানো কিমান দিনলৈ সিহঁত তেজাল হৈ থাকে। কিন্তু, মই জানো শিমলু কেইপাহ আজীৱন ৰঙা হৈ নাথাকিলেও তুমি থাকিবা মোৰ ৰঙা কলিজাত এটুকুৰা মিঠা আবেগ হৈ চিৰজীৱনলৈ......

চিঠিৰ উত্তৰ মোক নালাগে, পাৰিলে ডাকত এটি নীলা খামত এপাহ ৰঙা গোলাপ দি পঠিয়াবা। তুমিতো জানাই, দুয়োটা ৰং মোৰ খুবেই প্ৰিয়।

ইতি

তোমাৰ অনুভৱী

জয়া শইকীয়া

প্ৰথম ষান্মাসিক

# নীলা খামৰ চিঠি

মৰমৰ জোনাক,

আজি নকওঁ তোমাক আকুলতাৰ কথা। তুমি অনুভৱী, নিলিখাকৈয়ে পঢ়ি লবা মোৰ মনৰ বতৰা।

শুনা না....

টোপটোপকৈ নিয়ঁৰবোৰ সৰিছে, জোনাকী নিশাটোৰ কিছু মূহুৰ্ত উপভোগ কৰিবলৈ বহি লৈছোঁ মই বাহিৰতে। জানো মই, অধৰত আঁকি লবা এতিয়া মোৰ প্ৰিয় তোমাৰ সেই বেঁকা হাঁহিটি। বুজিও লবা নিজেই, শুভ্ৰ পুষ্পিত নীলা বৰণ আনি সজাই তোলা প্ৰতিটো শব্দৰ মাজত সোমাই থকা মোৰ অজস্ৰ হেঁপাহৰ গভীৰতা কিমান।

কোনোদিনেই কেনে আছা বুলি সুধি নোপোৱাৰ দৰেই নোসোধোঁ আজিও। অদৃশ্য সেই শক্তিৰ প্ৰতি আছে এবুকু মোৰ শ্ৰদ্ধা আৰু অগাধ বিশ্বাস। তেওঁ কুশলে ৰাখিবই তোমাক।

নীৰৱতাৰ বিশাল পৰিসৰ সামৰি, বুকু জুৰি বৈ ৰোৱা ভাৱনাবোৰে কেতিয়াবা বাৰুকৈয়ে তোলপাৰ লগায়। সেয়ে আজি লিখিম কিছু নোকোৱা কথা।

জীৱন সঁচাই অনুপম। কোনোদিনেই নভবা সপোনবো অগোচৰ কাহিনী এটিৰ দৰেই মোৰ জীৱনলৈ তোমাৰ আগমন ঘটিছিল। তাৰবাবে আজীৱন নন্দিত হৈ ৰ'ম।

মই বুজো। দূৰত্বৰ এখন অভেদ্য প্ৰাচীৰ আছে আমাৰ মাজত, তথাপিও যে তুমি অনুভৱ কৰাই যোৱা মোক মাথো কায়িক ভাৱে কাষত পোৱা মানেই ভালপোৱা নহয় আৰু হাৰি হাৰি ভাগৰি যোৱাকৈ জীৱনলৈ জাকে জাকে দুখমুহা আহিলেও যে তুমি সাহস হৈ ৰোৱা মোৰ বুকুৰ মাজত, এইখিনিতেই মই সুখী হওঁ।

তোমাৰ প্ৰতি গঢ় লৈ উঠা প্ৰেমে মোক শিকাইছে বাৰে বাৰে যে ভালপোৱা কেতিয়াও দুৰ্বলতা নহয়, সেয়েহে আকলুৱা হৃদয়খন মোৰ অৰ্পণ কৰি দিলো তোমাৰ নামত ।

শেষত এটাই কওঁ । প্ৰেম পৃথিৱীৰ পৌৰাণিক সত্য, যাৰ অবিহনে আধৰুৱা তুমি মই সকলো । মই অসম্পূৰ্ণ আছিলো, তুমি আহি পূৰ্ণতা দিলা । অশেষ ধন্যবাদ তোমাক, বাৰিষাৰ প্ৰথম জাক বৰষুণ হৈ আহি মোৰ জীৱনটোক তুমিয়েই জীপাল কৰি তুলিলা ।

ইতি

ভালপোৱাৰ দিগন্তসম প্ৰসাৰতাৰে

তোমাৰ তু......



হিমাশ্ৰীতা বৰা
প্ৰথম ষাণ্মাসিক

Dearest

Daxon,

As I sit here, with the gentle hum of the world outside and the comforting silence of your absence beside me, my heart yearns to express the depth of my love to you. Words seem inadequate, mere whispers compared to the symphony of emotions you evoke within me. But even with their limitations, words hold power. So I reach for them, hoping to capture a glimpse of the love that fills my life with you.

Before you my world was a canvas waiting for its masterpiece, you came in, not with a brush but with your every soul and painted with colours I never knew existed. You showed me the vibrant hues of laughter, the calming shades of understanding and the passionate fire of desire.

You are my confidence, my anchor and my constant source of inspiration. You challenge me to be a better version of myself, a Metanoia and celebrate my victories, big and small with a fervor that warms my soul.

Scanned with CamScanner

With you I can be my most authentic soul, shedding all pretense and embracing every vulnerability. you hold my hand through the storms and bask in the sunshine with me, making every moment, good or bad, an adventure share.

My love is a precious gift. It is a sanctuary where I find peace and a constant source of strength. The very reason my heart beats a little faster, my smile a little brighter and my days a little more meaningful.

Thank you for being you.

Forever yours
Bruce Wayne

Bhaskar jyoti Bora
1st semester

# সাক্ষাৎকার







Scanned with CamScanner

# এক স্ৰষ্টাৰ অন্তৰালৰ পাম খেদি

(বিশিষ্ট শিল্পক ধীৰাজ ভুঞাৰ সৈতে এক সাক্ষাৎ কাৰ)

আজকালি সময়সমূহত কেতিয়াবা সামাজিক মাধ্যমত চকু ফুৰোৱা হয়। তেনেকৈয়ে এদিন Facebook টো চাই থাকোঁতে হঠাৎ এটা সৰু video clip দেখি চকু দুটা ৰৈ গ'ল। প্ৰায় এক মিনিটৰ video clip টো চাই এনে উপলব্ধি হ'ল যেন বহুযুগৰ পৰা বন্ধ হৈ থকা মনৰ দুৱাৰ এখন খোল খালে।

প্ৰায় ৬/৭ বছৰীয়া এটি শিশুৱে এখন জেউৰা দিবলৈ প্ৰস্তুতি চলাইছিল। কামতে বৈ দেউতাকে নিৰ্দেশ দি গৈছে, কমাৰ শালত যেন জীৱনৰ বুনিয়াদ গঢ়াৰ এক ব্যতিক্ৰমী প্ৰচেষ্টা। এজন নিপুণ কাৰিকৰৰ দৰে দেউতাকে সন্তানক সজাই তোলা দৃশ্যটো দেখি মনৰ কৌতুক ৰখাব নোৱাৰি এফালৰ পৰা সম্পূৰ্ণ Profile টোত থকা লিখনি আৰু video বোৰ চাই গ'লো। প্ৰতিটো video ত জীৱনক ওচৰৰ পৰা দেখা পালো। তেওঁৰ কথাবোৰ শুনি জীৱনৰ প্ৰতি অন্য এক হেঁপাহ জাগি উঠিল।

মাটিত সপোন দেখা, মাটিত জীৱন

গড়া মানুহজনক বিতংকৈ জানিবলৈ মনটো অধীৰ হৈ পৰিছিল।
তৈল নগৰী ডিগবৈৰ এটা ভিতৰুৱা অঞ্চল পেংৰীৰ জীৱনৰ নীৰৱ যোদ্ধা জনেই ধনিৰাম চেতীয়া। যাৰ প্ৰতিটো কথা প্ৰতিটো শব্দতেই বিচাৰি পোৱা যায় জীৱন মেদা এজাক পোহৰৰ সমৃদ্ধ। মানুহজনক অধিক জনাৰ বাবে আশা এটা সদায় আছিল। অৱশেষত সেই সুযোগটো আহি পৰিছিল যেতিয়া প্ৰতিষ্ঠানৰ জেষ্ঠ অধ্যাপিকা মৌচুমী বৰুৱা বৰদলৈ বাইদেউৱে কৰ্মশিক্ষাৰ পাঠ্যক্ৰমৰ অন্তৰ্গত এমনি হাতেলিখা আলোচনী প্ৰস্তুত কৰিবৰ বাবে নিৰ্দেশ দিয়ে আৰু এই আলোচনীৰ মূল বিষয়বস্তু হিচাপে "যুৱ সবলীকৰণ" নিৰ্বাচন কৰি দিয়ে। বিষয়টি দেখিয়েই আদৰ্শ ব্যক্তিত্বৰ সৈতে বাৰ্তালাপ কৰাৰ সুযোগ পাই মনটো উৎফুল্লিত হৈ উঠিছিল। ০৩/০২/২০২৪ তাৰিখে দেওবাৰে পুৱাই তেখেতলৈ এটা message কৰিলোঁ। ককাইদেউ আপোনাৰ সৈতে এটি বিশেষ কাৰণত কথা পাতিব খোজোঁ বুলি। লগে লগে তেওঁ উত্তৰ দিলে আৰু মোৰ উদ্দেশ্যৰ বিষয়ে জানিব পাৰি অতি আগ্ৰহেৰে সঁহাৰি জনালে আৰু অৱশেষত বহু প্ৰত্যাশিত মানুহজনৰ সৈতে Whatsapp ৰ জৰিয়তে

বাৰ্তালাপ কৰাৰ সুযোগ পালোঁ।
তেখেতৰ সৈতে হোৱা বাৰ্তালাপবিলাক তলত উল্লেখ কৰিলোঁ -

১/ প্ৰশ্ন: আপুনি কিমান বয়সৰ পৰা কৃষি কৰ্মৰ সৈতে জড়িত হৈছে ?
ককাইদেউৰ উত্তৰ : আমাৰ সেই কনমানিটিৰ বয়সৰ পৰাই আই (মা)ৰ পিছে পিছে ঘূৰি ফুৰিছিলোঁ। যিহেতু মই একেবাৰে নাবালক অৱস্থাতে পিতৃহাৰা হৈছিলোঁ। জীৱন জীৱিকাৰ অৰ্থ নুবুজিলেও জীয়াই থাকিবলৈ সংগ্ৰাম কৰিছিলো। সময়ৰ সোঁতত এই ক্ষেত্ৰসমূহৰ প্ৰতি মনে প্ৰাণে বিলীন হৈ গলোঁ।

২/ কৃষি কৰ্মৰ সৈতে জড়িত হ'বলৈ আপুনি কাৰ প্ৰেৰণা লাভ কৰিলে বা কেনেদৰে আপুনি কৃষি কৰ্মকে মূল বৃত্তি হিচাপে বাচি ল'লে?
• ককাইদেউৰ উত্তৰ: এক কথাত পাৰিবেশিক পৰিস্থিতিয়ে বাধ্য কৰালে, সময়ে শিকালে।

৩/ বৰ্তমান আপুনি কি কি খেতিৰ সৈতে জড়িত আৰু এই খেতি সমূহ বাৰ মাহে থাকে নে ঋতু ভিত্তিক?
• ককাইদেউ উত্তৰ: অসমৰ মাটি আৰু জলবায়ুৰ সৈতে খাপ খোৱা প্ৰায়বিলাক ঋতুকালীন যেনে ধান মাহ, সৰিয়হ, ঘেঁহু, আলু, বিলাহী, পিঁয়াজ, গাজৰ চানা, বাদাম আদিৰ লগতে উদ্যান শস্য জমোন

নাৰিকল, কল, কুঁহিয়াৰ, আম, বগৰী, লিচু, মধুৰীআম, পান, জালুক, অমিতা, ল'ং-পান ঘাল লগতে মেহগনিৰ দৰে কিছুমান মূল্যবান গছৰ খেতি কৰিছোঁ। মৌ-পালন ৰ বাবেও চেষ্টা কৰি আছোঁ। গৰু-ছাগলীও পালন কৰা হৈছে। লগতে সমজুৱাকৈ ২০ বিঘা মাটিত মৎস্য পালন কৰা হৈছে।

৪/ এই খেতি সমূহৰ পৰা হোৱা আপোনাৰ উপাৰ্জন কেনে ধৰণৰ ?

• কৰণইদেউৰ উত্তৰ : ইয়াত মোৰ উচৰত এনেধৰণৰ - 2013 চনত এজন ব্যক্তিৰ পৰা গোল প্ৰথমে চাৰি বিঘা মাটি লিজত লৈ প্ৰতি বছৰে বিভিন্ন ধৰণৰ উৎপাদিত ঋতুকালীন শস্য সমূহ বিক্ৰী কৰি এবিঘা দুবিঘা কৰি বৰ্তমানলৈকে 25 বিঘা মাটি নিজাববীয়াকৈ ক্ৰয় কৰা হল।

৫/ আপুনি ভাবে নে বৰ্তমান সময়ত যুৱ প্ৰজন্মই খেতিৰ জৰিয়তে এটা উন্নত জীৱন লাভ কৰিব পাৰিব?

• কৰকাইদেউৰ উত্তৰ : নিঃসন্দেহে পাৰিব, লগতে এটা স্বনিৰ্ভৰশীল জীৱন অতিবাহিত কৰিব পাৰিব। লগতে আন দহ জনকো আগুৱাই নিব পাৰিব।

৬/ বৰ্তমান সময়ত এই কৃষিকৰ্মৰ ক্ষেত্ৰত কেনে ধৰণৰ প্ৰত্যাহ্বান সন্মুখীন হৈ লগা হ'ব পাৰে। বা কৃষিকৰ্মৰ সৈতে জড়িত থকা প্ৰধান সমস্যা সমূহ কেনে ধৰণৰ হ'ব পাৰে ?

• কৰকাইদেউৰ উত্তৰ : সমস্যা প্ৰায় সকলো ক্ষেত্ৰতে থাকে ঠিক সেইদৰে কৃষি ক্ষেত্ৰতো কিছুমান

Scanned with CamScanner

সমস্যা নথকা নহয়, বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হ'ব লগা হয় কেতিয়াবা যদি কষ্ট প্ৰকৃতি, কেতিয়াবা আকৌ বন্য - ঘৰচীয়া জীৱ-জন্তু, কেতিয়াবা জীৱ শ্ৰেষ্ঠ মানুহৰ পৰা। কিন্তু এই ক্ষেত্ৰখনৰ প্ৰতি আন্তৰিকতা থাকিলে সকলো অতিক্ৰম কৰিব পাৰে।

৭) অসমীয়া যুৱ প্ৰজন্মই কি কাৰণে কৃষিকৰ্মক অগ্ৰাধিকাৰ দিব নিবিচাৰে বুলি আপুনি ভাবে !?

• ককাইদেউৰ উত্তৰ : আমাৰ অধিকাংশ অভিভাৱকে নিজ নিজ সন্তানক সৰু অৱস্থাৰ পৰাই ডক্টৰ, অভিযন্তা ভাল চাকৰি অৰ্থাৎ সহজ পদ্ধতিৰে জীৱন যাপন কৰিবলৈ মন-মগজুত ধাৰণা সুমুৱাই দিয়া হয়। কৃষি কৰ্মত দিন-ৰাতি একাকাৰ কৰি, ৰ'দ-বৰষুণ অতিক্ৰম কৰি কপালৰ ঘাম মাটিত পেলাবলগীয়া হয়। কিন্তু কৃষি কৰ্মৰ অবিহনে খুজি-মাগি খোৱা মাগনীয়াৰ পৰা বিশ্ব খ্যাতি উদ্যোগপতিসকলে কোনেও জীয়াই থাকিব নোৱাৰে।

৮) বিভিন্ন সময়ত আমি সামাজিক মাধ্যমৰ জৰিয়তে আপোনাৰ কণমানি সন্তানক পিতৃৰ সৈতে খোজত খোজ মিলাই পিতৃৰ সৈতে খোজত খোজ মিলাই পিতৃৰ আদৰ্শৰে কৃষিকৰ্মত জড়িত হোৱা ছবি গোচৰ হয়। এনেকুৱা দৃশ্যই অসমবাসীৰ বাবে খুব আনন্দ আৰু গৌৰৱৰ কথা। তেখেতৰ বিষয়ে অলপ ক'ব নেকি ?

• ককাইদেউৰ উত্তৰ - আজিৰ তাৰিখত সকলোৱে

ক্ষেত্ৰত এবেও একোটা চাকৰি সৌভাগ্য নহ'বও পাৰে। গতিকে চাকৰিৰ অবিহনেও ভৱিষ্যতে পৰিৱেশ-পৰিস্থিতিৰ লগতে খোজ-মিলাবলৈ পৰাকৈ, সেউজীয়াৰ পথৰে জীৱন যুঁজৰ এক সামান্য আধৰা। দ্বিতীয়তে, আজিৰ তাৰিখত এই সকল প্ৰজন্মই কেতিয়াবা কোন সময়ত, কি গছত কি ফল লাগে এই বিষয়ে একেবাৰে অনভিজ্ঞ। তৃতীয়তে, যি ব্যক্তিয়ে গছ-গছনিক ভাল নাপায়, ফুলক ভাল নাপায় সেই ব্যক্তি প্ৰকৃত মানৱীয়তা গুণৰ অধিকাৰী নহয়। সেইয়েহে এই সকল নিৰ্ভেজ প্ৰজন্মৰ মন-মগজুত এনেদৰেই ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে ব্যৱহাৰিক ভাৱে সেউজীয়াৰ বীজ অংকুৰিত কৰোঁ বাটো অতিকৈ গুৰুত্বপূৰ্ণ বিষয় বুলি গণ্য কৰোঁ।

- সদৌ শেষত অসমীয়া যুৱ প্ৰজন্মলৈ কৰাইদেওঁৰ উত্তৰ - 'আঁজুৰিলে মাকৰিৰ মাটিতে ধন'। ভাৰত বৰ্ষৰ আটাইকেইখন ৰাজ্যৰ ভিতৰতে অসম এখন কৃষিৰ বাবে সকলোতকৈ উপযোগী ৰাজ্য। মুঠৰ ওপৰত আমাৰ ৰাজ্যখনত আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ বহুতো উৎস আছে। লাগে মাথোঁ একাগ্ৰতা, ধৈৰ্য্য আৰু আত্মবিশ্বাস। কৰ্ম সংস্কৃতিয়েই হৈছে একোটা জাতিৰ অস্তিত্ব। কৃষ্টি অৰ্থাৎ কৃষি কৰ্ম থাকিলেহে আমাৰ কৃষ্টি-সংস্কৃতি যোৰ অটুট থাকিব অন্যথা আমাৰ কৃষ্টি-সংস্কৃতি আধৰুৱা হ'ব।

ধন্যবাদ কৰাইদেউ আপুনি আপোনাৰ ইমান মূল্যবান সময়খিনি মোক দিয়াৰ বাবে। আশাকৰোঁ এই সময়খিনিয়ে অসমৰ উত্তৰ প্ৰজন্মক প্ৰগতিৰ

ৰাট দেখুৱাব। জীৱনক আগুৱাই নিয়াৰ বাবে নিজৰ মাজত আত্মবিশ্বাস জগাই তুলিবলৈ তেওঁলোকে এটা উৎস বিচাৰি পাব।

কবগাইদেউৰ উত্তৰ:- ধন্যবাদ ভাইটি সমাজখনত ইমান প্ৰভাৱশালী, বিশাল ব্যক্তিত্বৰ যোগ্য মানুহবোৰে ভৰি থকাৰ পাছতো যে মোৰ দৰে মাটিৰ মানুহ এজনক তুমি নিৰ্বাচন কৰিলা আৰু এটি সৃষ্টিশীল কৰ্মত মোক ইমান ডাঙৰ এটা স্থান দিয়াৰ বাবে। তোমালোকৰ অধ্যাপিকা মহোদয়ালৈ মোৰ আৰু বাঁচিয়লি ৰ আঁৰৰ প্ৰতিজনলৈ শুভেচ্ছা আৰু মৰম জ্ঞাপন কৰিছোঁ।

→ বলীন গগৈ
প্ৰথম ষাণ্মাসিক

# ফকৰা - যোজনা

১) তুলসীৰ লগত কলপটুৱাৰ মুক্তি-
ভালৰ লগত থাকি বেয়া জনেও আদৰ সন্মান পোৱা।

২) নাকত তেল দি শোৱা-
২) চিন্তা ভাৱনা নকৰি আৰামত শোৱা।

৩) পঢ়ুৱায়ো পৰ্বত খহায়-
একতাৰ দ্বাৰা ডাঙৰ কাম কৰিব পাৰি।

৪) ফটা মুখত নটা কথা।
বেচিকৈ কথা কোৱা।

→ জোনাকী পেগু
প্ৰথম ষাণ্মাসিক

ধন্যবাদ



Scanned with CamScanner